প্ৰকাশক :—খগেশ্বৰ ভূঞা, সম্পাদক
प्रकाशक :—खगेश्वर भूँञा, सम्पादक
সৰ্ব্বোদয় প্ৰকাশন সমিতি
सर्वोदय प्रकशन समिति

প্ৰথম সংস্কৰণ, ৩০০০
पहला संस्करण, 3000
আগষ্ট, ১৯৫৭
अगस्त, १९५७

মূল্য ছয় অনা
मूल्य - छय आना

মুদ্ৰক — খগেন্দ্ৰ নাথ শৰ্ম্মা
পৰশুদেৱ প্ৰিণ্টিং ৱৰ্কচ্, ওৱাৰ্ড ষ্ট্ৰিট,
परशुदेव प्रिंटिंग वार्क्स
উজানবজাৰ, গুৱাহাটী
ऊजानबाजार गुवाहाटी

প্ৰকাশক :—খগেশ্বৰ ভূঞা, সম্পাদক
प्रकाशक :—खगेश्वर भूंआ, सम्पादक

সৰ্বোদয় প্ৰকাশন সমিতি
सर्वोदय प्रकशन समिति

প্ৰথম সংস্কৰণ, ৩০০০
पहला संस्करण, ३०००

আগষ্ট ১৯৫৭
अगस्त, १९५७

মূল্য— ছয় অনা
मूल्य — छय आना

মুদ্ৰক — খগেন্দ্ৰ নাথ শৰ্ম্মা
পৰশুদেৱ প্ৰিন্টিং ৱৰ্ক্স, ওৱাৰ্ড ষ্ট্ৰিট
परशुदेव प्रिटिंग वाक्स,
উজানবজাৰ, গুৱাহাটী
ऊजानबाजार गुवाहाटी

# ভূমিদান যজ্ঞ

# যুগৰ মহান্ আহ্বান

## দুষাৰ কথা

ধীৰেন্দ্ৰ ভাইৰ এই সৰু পুস্তিকা খনিয়ে ভূদান যজ্ঞৰ মূলগামী কথাখিনি মৌলিক ধৰণেৰে দাঙি ধৰিছে। ভূদান যজ্ঞ দুখীয়াসকলক যৎকিঞ্চিৎ ভাবে সহায় কৰিয়েই সন্তুষ্ট থকা বিধৰ আন্দোলন নহয়, বৰঞ্চ তাৰ অন্তৰালত জীৱনৰ মূল্য পৰিবৰ্ত্তন কৰা আৰু তাৰেই আধাৰত নতুন সমাজ গঢ়ি তোলাৰ উদ্দেশ্যও নিহিত আছে। এনেকুৱা সমাজ সাধৰণতে শোষণহীন হব আৰু শাসনকো বিকেন্দ্ৰিত কৰোঁতে কৰোঁতে শেষত গৈ শাসন হীন হৈ পৰিব। মই আশাকৰোঁ ধীৰেন্দ্ৰ ভাইৰ এই মূল-মূলীয়া চিন্তাকৰ্ষক বিবেচনাৰ দ্বাৰা ভূদান যজ্ঞৰ মূল স্বৰূপ বুজাত মানুহৰ সহায় হব।

—বিনোবা

* * *

যদিও ভূদানযজ্ঞৰ কাম আজি প্ৰায় ছয় বছৰৰ পৰাই চলি আহিছে তথাপি তাৰ প্ৰকৃত উদ্দেশ্য বহুত

কমেহে উপলব্ধি কৰিব পাৰিছে। 'যুগৰ মহান্ আহ্বান'ত শ্ৰীধীৰেন্দ্ৰ ভায়ে অহিংসক বিপ্লৱ আৰু নতুন সমাজ নিৰ্ম্মাণৰ এটা তেজস্বী ৰূপ ৰূপায়িত কৰি তুলিছে। বিনোবাজীয়ে নিজে প্ৰাৰ্থনান্তিক ভাষণ আৰু বিভিন্ন আলোচনাত বুজায়েই, তথাপি শ্ৰীধীৰেন্দ্ৰ ভাইৰ এই সৰু কিতাপখনিয়ে উক্ত বিষয়টো সংক্ষেপতে অথচ মৌলিক আৰু প্ৰভাৱশালী উপায়েৰে নতুন চিন্তাৰ সমল আৰু বৈপ্লৱিক প্ৰক্ৰিয়াক অতি সহজ তথা সৰল ভাষাত উক্তি কৰিছে।

'যুগৰ মহান্ আহ্বান' প্ৰত্যেক বৈপ্লৱিক যুৱকৰ হাততেই একোখনি থকা উচিত।

—জয়প্ৰকাশ নাৰায়ণ

* * *

# যুগৰ মহান্ আহ্বান!

ভূদান-যজ্ঞত সকলো দলৰ মানুহেই লগ লগা দেখি মই বৰ আনন্দ পাইছোঁ। যদিও সকলো দলৰ মানুহ ইয়াত আছে তথাপি এই আন্দোলনৰ জন্মদাতা হৈছে সন্ত বিনোবাজীহে। তেখেত কোনো দলতে নাই। গান্ধীজীয়ে জগত জগতবাসীলৈ যিটো মন্ত্ৰ আগ বঢ়াইছিল, তাৰ দ্বাৰাই আমাৰ সকলোকে দীক্ষিত কৰোঁতা পুৰোহিত হৈছে বিনোবাজী। এই ভূদান যজ্ঞ এক মহান্ বৈপ্লৱিক আন্দোলন। ই সৰ্ব্বোদয়ৰ প্ৰথম খোজ। গতিকে আপোনালোকে এই মহান্ আন্দোলনৰ তাত্ত্বিক আধাৰ কি আৰু ইয়াৰ ফল স্বৰূপে নো আমি কেনেকুৱা সমাজ ব্যৱস্থা স্থাপিত কৰিব খুজিছোঁ এই বিষয়ে চিন্তা কৰি চোৱাটো উচিত হব। ওপৰোক্ত কথা খিনি যদি আমি দকৈ ভাবি-চিন্তি নেচাই ভূমি-দান অৰ্থাৎ মাটিৰ সমবিভাজনৰ আন্দোলন অকল ভাবপ্ৰবণতাৰ ওপৰতেই চলাই থাকোঁ তেন্তে এই বিপ্লৱৰ আভ্যন্তৰীণ ফালটোৱে কেতিয়াবা প্ৰতি বিপ্লৱৰ ৰূপো লৈ লব পাৰে।

## আমাৰ সমস্যা

সৰ্বোদয়-বিপ্লৱৰ মৌলিক আধাৰ কি হব এই বিষয়েতো চিন্তা কৰিব লাগিবই ; কিন্তু ইয়াৰো আগতে আমি এই বিষয়েও চিন্তা কৰি থব লাগিব যে আজি আমাৰ দেশৰ পৰিস্থিতি কেনেকুৱা অৱস্থাত আছে ? তাৰ তাৎকালিক সমস্যা কি কি আৰু সেই সমস্যা সমূহ আশু-শীঘ্ৰে সমাধান নহ'লে তাৰ দ্বাৰাই দেশত কি কি বিপদ হোৱাৰ সম্ভাৱনা আছে ? গান্ধীজীয়ে কৈছিল যে আপোনালোকে যদি আৰ্থিক আৰু সামাজিক বিপ্লৱ কৰি সমাজ-গাঁথনিৰ আমূল পৰিবৰ্ত্তন নকৰে তেন্তে আজি আমি যি স্বাধীনতা পাইছোঁ তাকো কোনোবা এদিন হেৰুৱাব লাগিব। কিন্তু আমি সেই সময়ত গান্ধীজীৰ কথালৈ বিশেষ মন নিদিলোঁ আৰু ৰাজ্য-ব্যৱস্থাৰ কামত লাগি গলোঁ। সেই সময়ত দেশত যি বোৰ সমস্যাৰ উদ্ভৱ হৈছিল সি যেনে আছিল তেনেই নেথাকিল বৰং সি আৰু পৰিষ্কাৰ হৈ ওলাই পৰিল। আজি অকল দেশৰেই নহয় বৰং বিশ্বৰ সমস্যা ও জটিলতৰ হৈ যাব ধৰিছে আৰু তাৰ প্ৰভাৱ আমাৰ দেশৰ ওপৰতো পৰিব লাগিছে। গতিকে আপোনালোকে আজি এই গোটেইবোৰ সমস্যাৰ বিষয়ে ভাবিব লাগিব আৰু তাৰ সমাধানৰ উপায়ো উলিয়াব লাগিব।

গান্ধীজীৰ মৃত্যুৰ পিচত আমি সকলোৱেই কিং কৰ্ত্তব্য বিমূঢ় হৈ ৰৈ গ'লো, কিন্তু সৌভাগ্যক্ৰমে আজি বিনোবাজীয়ে

গান্ধীজীৰ 'অন্তিম আহ্বান অনুসৰি এক আর্থিক আৰু সামাজিক বিপ্লৱত নিমগ্ন হৈছে আৰু গ্রাম-ৰাজ অর্থাৎ প্রকৃত স্বৰাজ স্থাপন কৰি বর্ত্তমানৰ ৰাষ্ট্রীয় আৰু অন্তৰাষ্ট্রীয় সমস্যা সমাধানত উঠি পৰি লাগি গৈছে। আপোনালোকেও ইয়াত সহযোগ কৰি দেশৰ সমস্যা সমূহক সমাধান কৰাৰ এইটোৱেই এটা সোণালী সুযুগ।

আপোনালোকে ভাবক দেশৰ আজি সমস্যা কি? পোন প্রথমে আপোনালোকে দেশৰ আভ্যন্তৰীণ সমস্যাবোৰৰ বিষয়ে ভাবক। আপোনালোকে যদি কোনো সৰু ল'ৰা-ছোৱালীকো সোধে তেন্তে সিহঁতে তৎক্ষণাৎ উত্তৰ দিব যে দেশৰ মূল সমস্যা ভোক আৰু বেকাৰী (নিবনুৱা)। এতেকে আমি প্রথমে ভোক আৰু নিবনুৱাৰ বিষয়েই আলোচনা কৰিব লাগে।

## ভাতৰ সমস্যা

আজি দেশৰ কণ কণ ল'ৰা-ছোৱালী বোৰেও ভাতৰ আকালৰ কথা অনুভৱ কৰিছে। মই যলৈকে যাওঁ ত'ৰে আলিবাটত, ষ্টেচনৰ বেৰত, "অধিক শস্য উৎপাদন কৰা" আদিৰ প'ষ্টাৰবোৰ দেখিবলৈ পাওঁ। ৰাইজসকল! শস্য কাগজৰ প'ষ্টাৰত নহয়, গাৱঁত যিবোৰ মাটি আছে তাতহে উৎপাদন কৰিব লাগিব।

এতিয়া প্ৰশ্ন হৈছে যে আপোনালোকে নো গাৱঁত শস্যৰ উৎপাদন বৃদ্ধি কেনেকৈ কৰিব ? আপোনালোক বেছি ভাগেই খেতি কৰা মানুহ। আপোনালোকে জানে যে মাটি আগেয়ে যেনেকুৱা আছিল এতিয়াও তেনেকুৱাই আছে আৰু সিমানেই আছে। সি ৰবৰ নহয় যে তাক টানিলে দীঘল হৈ যাব বা তেনে ভাজেই পৰি থাকিলে অধিক শস্য উৎপাদন আপোনা আপুনি হৈ থাকিব। মাটিত উৎপাদন কৰিবলৈ হ'লে দুই প্ৰকাৰৰ আহিলাৰ আৱশ্যক। এক প্ৰকাৰ হৈছে সাৰ-পানী আদি পুঁজিগত সামগ্ৰী আৰু আন প্ৰকাৰ হৈছে তাত লগা শ্ৰম। এই দুয়োটাৰ সংযোগত হে উৎপাদন হব পাৰে। যেতিয়ালৈকে ইহঁত দুয়োটা সমষ্টিৰ বৃদ্ধি কৰিব পৰা নেযাব তেতিয়ালৈকে উৎপাদনো বাঢ়িব নোৱাৰিব। অৰ্থাৎ উৎপাদন বঢ়াবলৈ হলে আপোনালোকে সাৰ-পানী আৰু তাত লগা শ্ৰম এই দুয়োটাৰে মাত্ৰা বঢ়াব লাগিব। সাৰ-পানীৰ কাৰণে আমি ডাঙৰ ডাঙৰ পৰিকল্পনা কৰিব ধৰিছোঁ। কোশীৰ বান্ধ, দামোদৰ ভেলিৰ প্ৰজেক্ট। আৰো শুনিবলৈ পাইছোঁ মেঘকো বান্ধি হেনো বৰষুণ দিয়াবলৈ চেষ্টা কৰা হৈছে আৰু এই কামত মানুহ লগোৱাও হৈছে। কিন্তু এনেকুৱা বিৰাট বিৰাট পৰিকল্পনা সম্পূৰ্ণ ৰূপে তৈয়াৰ হৈ অতোৱালৈকে জানো পেটৰ জুই পেটৰ ভিতৰতে সীমাবদ্ধ হৈ থাকিব ? তেতিয়ালৈকে এই জুয়ে ব্যাপক ৰূপ ধাৰণ কৰি গোটেই দেশকে পুৰি ছাৰ্-খাৰ্ কৰি পেলাব। তাৰ পিচত এই পৰিকল্পনাৰ ফল উপভোগ

কৰিবৰ কাৰণে আপোনালোক আৰু বাচি নেথাকিব, অৱশ্যে ভূত প্ৰেত হৈ থাকিব পাৰিব।”

## মাটিৰ ব্যৱস্থা

এই কাৰণে মই কৈছিলোঁ। যে ৰাষ্ট্ৰৰ স্থায়ী নিৰ্ম্মাণৰ কাৰণে এনেকুৱা ডাঙৰ ডাঙৰ পৰিকল্পনাৰ আৱশ্যকতা আছে আৰু ইয়াক পূৰা কৰিবও লাগে তথাপি আপোনালোকে দেশক ধ্বংসৰ মুখৰ পৰা যদি সোনকালে ৰক্ষা কৰিব খুজিছে তেন্তে আপোনালোকৰ গাৱেঁ গাৱেঁ যি অলপীয়া সাৰ, পানী, মানৱ-শক্তি আৰু পশু-শক্তি বিদ্যমান আছে তাৰে সহায়ত শস্যৰ উৎপাদন বঢ়াব লাগিব। ‘সাৰ-পানী’ আদি পুঁজিগত আহিলা যদি আপোনালোকে আপোনালোকৰ গাৱঁত সোনকালে বঢ়াব নোৱাৰে তেন্তে মাটিৰ ওপৰত আজি যি শ্ৰম-শক্তি প্ৰয়োগ কৰা হৈছে তাকেই বঢ়াব লাগিব আৰু ইয়াৰ কাৰণে মাটিৰ আজি যি ব্যৱস্থা চলি আছে তাকো আমূল পৰিবৰ্ত্তন কৰা নিতান্ত প্ৰয়োজন হব।

আপোনালোক সকলোৱেই বোধকৰো জানে যে গাওঁবোৰত যিমান শ্ৰম পৰি আছে, সেই সকলোবোৰকে আজিৰ মাটি বন্দোবস্তিৰ দোষপূৰ্ণ পদ্ধতিৰ বাবেই মাটিত লগাব পৰা নাই। যি মাটিৰ গৰাকী তেওঁলোকে নিজে হাতে-হালোৱা হৈ তাত খেতি নকৰে আৰু যি খেতি কৰে তেওঁলোক মাটিৰ গৰাকী

নহয়। আপোনালোকে জানে যে যি ডোখৰ মাটিৰ গৰাকীয়ে নিজে খেতি কৰে তাৰ উৎপাদন চাকৰ লগাই কৰাতকৈ বেছি হয়। সেইদৰেই যদি কৃষি-বনুৱাই আনৰ মাটিত খেতি কৰে তেন্তে উৎপাদন নিজৰ মাটিত কৰাতকৈ কম হবই। গতিকে আপোনালোকৰ যাৰ যাৰ মাটি আছে তেওঁলোকে নিজ হাতে খেতি কৰিব লাগিব আৰু যিখিনি মাটি নিজে চহাব নোৱাৰে সেই খিনি, যি মাটিত শ্ৰম কৰিব পাৰে অথচ তেওঁলোকৰ এচাঁহীও মাটি নাই তেনেকুৱা বনুৱাক দান কৰি দিব লাগে। ইয়াকে কৰিলে এই ভূমিহীন বনুৱাসকল খেতিত মনপুতি লাগি যাব আৰু তেওঁলোকে পাৰ্য্যমানে পৰিশ্ৰম কৰি সৰহ শস্য উৎপাদন কৰিব।

আপোনালোকে যে ভূমি-দান-যজ্ঞক কেৱল ত্যাগ আৰু কৰুণাৰ কাৰ্য্য-সূচী বুলি ভাবিছে, আচলতে সি তেনে নহয়। ই হৈছে দেশৰ স্বাৰ্থ ৰক্ষাৰ কাৰ্য্য-সূচী। অকল দেশৰ স্বাৰ্থ-ৰক্ষাৰ কথাই নহয় বৰঞ্চ মই ইয়াক মাটি গিৰীসকলৰ ব্যক্তিগত স্বাৰ্থ-ৰক্ষাৰ কথা বুলিও কব খোজো। মই মাটি-গিৰীসকলক কওঁ যে বিনোবাৰ আহ্বান ত্যাগৰ আহ্বান, অনুগ্ৰহৰ আহ্বান নহয়, বৰং ই স্বাৰ্থ-ৰক্ষাৰ আহ্বান হে। অৱশ্যে এইটো ঠিক যে দানৰ দ্বাৰা পুণ্যও হয়; কিন্তু আপোনালোকে এই পুণ্যক কেৱল উপকৰা আমদানি বুলিহে ধৰি লব।

আপোনালোকে চাগৈ কেতিয়াবা নাৱেৰে নৈ পাৰ নিশ্চয় হৈছে। নাৱৰ দুয়োটা বাৰ সংযুক্ত কৰা একোচটা সৰু

চেপেটামুৰা কাঠ মাজে মাজে লগোৱা থাকে আৰু তাৰ মাজ ভাগবিলাক খালী থাকে। কৌপিন পিন্ধা আৰু নাঙঠা দুখীয়া সকল তলত বহে গেৰোৱা লটা চুৰিয়া আৰু চোলা পিন্ধা বাবুসকল ওপৰ পীৰিত বহে। নাও খনত যদি কেনেবাকৈ বিন্ধা ওলাই পানী সোমাবলৈ ধৰে তেন্তে প্ৰথমে নাৱৰ তলিত বহা দুখীয়াসকলৰ দেহকিটা হে পানীয়ে চুব। তেতিয়াৰ বেলিকা ওপৰৰ শুকান ঠাই অৰ্থাৎ পীৰিত বহোঁতাসকলে ভাৱে যে আমি একেবাৰেই নিৰাপদ ঠাইত আছোঁ, আমাৰ চিন্তা কৰিব লগীয়া একো নাই। কিন্তু যদি তেওঁলোকে এই ভাবিয়েই নিশ্চিন্ত মনেৰে বহি থাকে তেন্তে তেওঁলোকৰ কি অৱস্থা হব? কিছু সময়ৰ পিচত তেওঁলোকৰো কাপোৰ তিতিব আৰু অলপ পৰৰ পাচত নাও যি বুৰ যাবই নে কি তলিত বহা, কি পীৰিৰ ওপৰত বহা সকলোৱেই তল যাব। কিন্তু কৌপিনধাৰী সকলৰ কাপোৰ তিতিবলৈ আৰম্ভ কৰোঁতেই যদি কোনোবাই পাৰৰ পৰা বিঙিয়াই কয়, বন্ধুসকল! আপোনালোকৰ নাৱৰ তলিত ফুটা ওলাইছে, সেই ফুটা বন্ধ কৰিব নোৱাৰিলে নৈৰ বুকত জাহ যাব লাগিব। নাৱৰ ফুটা মাৰিবলৈ অন্য একো বস্তু নেপালে পীৰিত বহা বাবুসকলেই নিজৰ চোলা-চুৰিয়াকে ফালি তলিত বহোঁতাসকলক দিয়ক, আৰু তলিত বহোঁতাসকলেও ততাতৈয়াকৈ ফুটাটো মাৰিবলৈ যত্ন কৰক। এই বিং টোক জানো আপোনালোকে ত্যাগৰ বিং বুলি কব? নকয় কিয়নো, ই হৈছে শুদ্ধ স্বাৰ্থ ৰক্ষাৰ কাৰণে

দিয়া আগালি বতৰা হে। আপোনালোকে যদি নিজৰ কাপোৰ ফালি নাৱৰ ফুটা মাৰিবলৈ নিদিয়ে তেন্তে নাৱৰ লগে লগে আপোনালোকো পানীৰ তললৈ যাব লাগিব।

সেইদৰেই আজি আমাৰ স্বাধীনতাৰ নাওখনিও থকা-সৰকা হৈ পৰিছে আৰু এই নাও এখন নিৰাকাৰ দাসত্বৰ সাগৰত বুৰ যাওঁ যাওঁ হৈছে। এনেকুৱা অৱস্থাত যদি সন্ত ৱিনোবাই আপোনালোকক ৰিঙিয়াই ৰিঙিয়াই কয় যে, বন্ধুসকল! আপোনালোকৰ গাত যে গেৰোৱা-লটা চুৰিয়া আৰু দীঘল হাতৰ চোলা অৰ্থাৎ মাটি-সম্পত্তি লাগি আছে তাৰে একো একোটা ভাগ ফালি ফালি তলৰ ভূমিহীন সকলৈ দলিয়াই দিয়ক। যদি ইয়াকে কৰে তেন্তে তেওঁলোকে সৰহীয়াকৈ শস্য উৎপাদন কৰি নাৱৰ ফুটা মাৰিব পাৰিব আৰু তাৰ লগে লগে সেই শস্যৰেই দেশৰ পেটত দপ্দপ্ কৰি জ্বলি থকা জুইকুৱা নুমাই ধ্বংস মুখৰ পৰা দেশক ৰক্ষা কৰিব পাৰিব। আপোনালোকে এইটো নেভাবিব যে অকল দেশৰ স্বাধীনতাহে লোপ পাব বা দেশ হে ধ্বংস হব, আপোনালোক বাচি থাকিব! এই নিমিত্তেই মই কৈছোঁ যে ৱিনোবাই ত্যাগ আৰু অনুগ্ৰহৰ কাৰণে নহয় বৰঞ্চ আপোনালোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে হে ৰিঙিয়াই ৰিঙিয়াই কব ধৰিছে।

## নিবনুৱা সমস্যা

দ্বিতীয় সমস্যাটো হৈছে নিবনুৱাৰ। আমি সৰ্বোদয়ৰ সমৰ্থক ও গান্ধীজীৰ অনুগামী সকলে এই কথাটোত সদায় জোৰ দি আহিছোঁ যে ভাৰতৰ নিচিনা ঘন বসতিৰ দেশত নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে গান্ধীজীৰ উপায়েই একমাত্ৰ উপায়। কিন্তু দুৰ্ভাগ্যক্ৰমে আমাৰ দেশৰ ডাঙৰ অৰ্থ-শাস্ত্ৰজ্ঞ সকলে এই কথাত পতিয়ন নেযায়। তেওঁলোকে গান্ধীজীৰ ব্যক্তিত্বক পূজা কৰে কিন্তু তেখেতৰ বুদ্ধিত আস্থা নাই। থাকিবই বা কিয় ? তেওঁলোকে হৈছে পণ্ডিত। নতুন কথা সহজতে বুজিব নোৱৰাটো পণ্ডিতৰ স্বভাবেই। তেওঁলোকৰ মগজুবোৰ পুৰণি পুথি-পাঁজিৰ সূত্ৰেৰে এনেভাবে ভৰি থাকে যে তাত নতুন কথা সোমাবলৈ থলেই নোহোৱা হয়। কিন্তু যেতিয়া সমাজত কোনো নতুন পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়া সেই যুগৰ যুগ-পুৰুষে তাৰ সমাধানৰ কাৰণে নতুন পথৰ ইঙ্গিত দিয়ে। বুজিব নোৱৰাৰ কাৰণে আৰম্ভতে যেতিয়া পৰিস্থিতিয়ে বিৰাট ৰূপ ধাৰণ কৰে তেতিয়াহে সেই যুগ-পুৰুষৰ কথাৰ সত্যতা উপলব্ধি কৰিব পৰা হয়।

## অৰ্থ শাস্ত্ৰজ্ঞও ঢাল খাইছে

আমাৰ দেশতো ঠিক তেনেকুৱাই হৈছে। গান্ধীজীয়ে যঁতৰ আৰু গ্ৰাম্য-শিল্পৰ দ্বাৰাই নিবনুৱা সমস্যা সমাধান কৰাৰ

উপায় দিছিল। পণ্ডিত সকলে তাক পাগলামী বুলি ভাবিলে আৰু এখন পঞ্চবৰ্ষীয় পৰিকল্পনা তৈয়াৰ কৰি চৰকাৰক ক'লে যে এই পৰিকল্পনা অনুসৰি চলিলে দেশৰ নিবনুৱা সমস্যা সমাধান হৈ যাব। চৰকাৰেও তেওঁলোকৰ কথা মতে তাক কাৰ্য্যকৰী ৰূপ দিয়াত লাগি গ'ল। আজি তাৰ ছয় বছৰ পাৰ হৈ গৈছে। কিন্তু ইমান দিনৰ অভিজ্ঞতাৰ পিচত অৰ্থ-শাস্ত্ৰৰ সেই সকল পণ্ডিতেই আজি কব ধৰিছে যে নিবনুৱা কমক ছাৰি বাঢ়িছে হে। আজি সেই সকল পণ্ডিতেও কবলৈ বাধ্য হৈছে যে খাদী আৰু গ্ৰাম্য শিল্পৰ অবিহনে দেশৰ নিবনুৱা সমস্যা সমাধান হব নোৱাৰে।

এতেকে আপোনালোকে এই কথাটো গভীৰ ভাৱে চিন্তা কৰি চোৱা উচিত যে আপোনালোকে এতিয়া কি কৰিব। সন্ত ৱিনোবাই চিঞৰি চিঞৰি দেশবাসীক কব ধৰিছে যে যদি আপোনালোকে নিবনুৱা সমস্যা ৰূপী সঙ্কটৰ পৰা মোচন হব খুজিছে তেন্তে কেন্দ্ৰিত উদ্যোগক, বহিষ্কাৰ আৰু গ্ৰাম উদ্যোগৰ স্থাপনা কৰাৰ আন্দোলন চলাব লাগিব। তেখেতে কৈছে যে মোৰ কাৰণে ভূদান যজ্ঞ আৰু গ্ৰামোদ্যোগ "সীতা ৰাম"ৰ নিচিনা অভিন্ন।

## মিলৰ বস্ত্ৰ সস্তা নহয়

আমি যেতিয়া কেন্দ্ৰিত উদ্যোগ বহিষ্কাৰৰ কথা কওঁ তেতিয়া দেশৰ মানুহে কয় যে মিলৰ বস্ত্ৰ সস্তা আৰু গ্ৰামো-

দ্যোগৰ বস্তু দামী, কিন্তু অলপ দকৈ ভাবি চালে জানিব পৰা যাব যে এই সস্তীয়া কথাটো ওপৰে ওপৰে চাই হে কোৱা হৈছে। আচলতে মিলৰ বস্তু সস্তা নহয়।

কথাতে কয় যে "খালী মন ভূতৰ বাহ।" এইটো সকলোৱে সমৰ্থন পোৱা কথা যে দেশৰ আৱশ্যকীয় বস্তু যদি গ্ৰামোদ্যোগৰ দ্বাৰাই নকৰি মিলৰ দ্বাৰাই কৰা হয় তেন্তে দেশত নিবনুৱা সমস্যাই ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিব। তাৰ পিচত ইমান বিলাক নিবনুৱা মানুহৰ মস্তিষ্ক ভূতৰ কাৰখানাত পৰিণত হব। ভূতৰ কাৰখানাৰ পৰা ভূতবেইহে সৃষ্টি হব, মানুহৰ নহয়। এই দৰেই নিবনুৱাসকলৰ মগজুৰ পৰা, যি ভূতৰ সৃষ্টি হব, সি আপোনালোকৰ ঘৰলৈ অতিথিৰ ৰূপত যাব। অতিথিক ভালকৈ শুশ্ৰূষা কৰি স-সন্মানেৰে বিদায় দিয়াটো হৈছে ভাৰতীয় সংস্কৃতি। এই ভূতৰূপী অতিথিয়ে যেতিয়া আপোনালোকৰ ঘৰত পদাৰ্পণ কৰিব আৰু আপোনা-লোকেও তেওঁলোকক সমুচিত ভাবে বিদায় দিব লাগিব তেনে স্থলত মিলৰ বস্তু কেতিয়াও সস্তা নহব। দুৰ্ভগাক্ৰমে আজি দেশৰ জন-সাধাৰণ অচেতন অৱস্থাত। তেওঁলোকে যেতিয়া সস্তা-মৰগৰ হিচাপ কৰে তেতিয়া মিলৰ বস্তু ব্যৱহাৰ কৰা বাবে সৃষ্টি হোৱা ভূতৰূপী অতিথি শুশ্ৰূষাৰ খৰচটো ধৰিবলৈ পাহৰে. তাকো হিচাপত ধৰিব লাগে। হিচাপত ধৰাৰ পিচত আৰু তেওঁ কেতিয়াও নকয় যে মিলৰ বস্তু সস্তা।

এই নিচিনাকৈয়ে ৱিনোবাই কেন্দ্ৰিত উদ্যোগ বহিষ্কাৰ কৰাৰ বিষয়ে যিটো কথা কৈছে তাক কাৰ্য্যকৰী ৰূপ দিবলৈ হলেও মৰণীয়া বস্তু কিনিবই লাগিব, নতুবা আজিৰ পৰিস্থিতিত যি খিনি কষ্ট বৰণ কৰিব লাগিব তাক সহ্য কৰাটো কোনো ত্যাগৰ কথা নহয় বৰং স্বাৰ্থ ৰক্ষাৰ কথাহে হব।

## মুল ধনৰ আৱশ্যকতা

কলকাৰখানা অৰ্থাৎ কেন্দ্ৰিত উদ্যোগত উৎপাদন হোৱা বস্তুৰে দৈনিক আৱশ্যকতা পূৰণ কৰিবলৈ চেষ্টা কৰিলে আপোনালোক পৰস্পৰে সঙ্কটৰ সম্মুখীন হবলৈ সাজু থাকিব লাগিব। এইটো পৰিষ্কাৰ ভাৱে ওলাই থকা কথা যে কেন্দ্ৰীয় উদ্যোগ স্থাপিত কৰিবৰ কাৰণে প্ৰথমে মূল ধনৰ আৱশ্যক হব আৰু সেই মূল ধন কাগজৰ হলে নহয়, সোণৰ হব লাগিব। আমাৰ দেশত সোণেই দ'ম খাই আছে বুলি আপোনালোকে ভাবেনে কি? নহয়, এইটো চাগৈ কোনেও নেভাবে। আমাৰ দেশ টোকোনা হ'ল। ইংৰাজে আমাক ন্যায়-বুদ্ধিৰে এৰি থৈ যোৱা নাই। বণিয়া জাতি হোৱা কাৰণে তেওঁলোকে এই দেশ এৰি যাবলৈকে মন নকৰিছিল। যেতিয়ালৈকে দেশ খনৰ গাত এচেলেকৰ জোখাৰেও তেজ আৰু মঙহ আছিল তেতিয়ালৈকে তেওঁলোকে জোকৰ দৰে কামোৰ মাৰি ধৰিয়েই আছিল; যেতিয়া মাথোন হাড় কিডাল হে বাকী বৈছিল গৈ তেতিয়া তেওঁলোকে এৰি থৈ গুচি

যায়; অর্থাৎ ইংৰাজ যায় যায় মানে আমি সর্ব্বস্বান্ত হৈ পৰিছিলো। এনেকুৱা অৱস্থাত যদি আপোনালোকৰ নিজৰ মৌলিক সমস্যা সমাধানৰ কাৰণে সোণৰ আৱশ্যকতা প্ৰথম আৰু অনিবার্য্য হয় তেন্তে আপোনালোকৰ গতি কি হব ভাবি চাওক।

আপোনালোকে চাগৈ আগৰ দিনৰ ৰজা হৰিচন্দ্ৰৰ উপাখ্যান পঢ়িছে। ৰজা যেতিয়া সর্ব্বস্বান্ত হৈছিল আৰু দক্ষিণা দিবৰ কাৰণে যেতিয়া ধনৰ আৱশ্যক হৈছিল তেতিয়া তেওঁ নিজক বেচিব লগাত পৰিছিল। এই দৰেই যদি টোকোনা ভাৰতক কাপোৰৰ সমস্যা সমাধানৰ কাৰণে ধনৰ আৱশ্যক হয় তেনেহলে আপোনালোককো ধনীৰ হাতত বেচি দিব লাগিব।

## স্বাধীনতাৰ সঙ্কট

গত ১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈকে এই নব্বৈ বছৰ যুদ্ধ কৰি ইংৰাজৰ বন্দুকৰ হেঁচাৰ পৰা আপোনালোকে কোনো ৰকম অব্যাহতি পাইছে; কিন্তু এতিয়া যি দেখা গৈছে একে লেঠাৰিয়ে বহুতো দিন বোজা কঢ়িয়াওঁতে কঢ়িয়াওঁতে আপোনা-লোকে সুদা মূৰেৰে থাকিবলৈ ভাল নোপোৱা হ'ল। এই নিমিত্তে আপোনালোকে গান্ধীজীক মূৰ্খ বুলি কৈ আমেৰিকাৰ ধন সোণেৰে ভৰা পেড়া আপোনালোকৰ মূৰত তুলি লৈছে।

কিন্তু মই আপোনালোকক কৈ দিব খোজো যে বন্দুকৰ বোজতকৈ ধন-সোণেৰে ভৰা পেড়াৰ বোজ বেছি গধূৰ হব। কাজে কাজেই আপোনালোক আগতকৈও বেছি হেঁচাত চেপেটা খাব লাগিব। এই কাৰণেই আমাক মহাত্মা গান্ধীয়ে দঢ়াই দঢ়াই কৈ গৈছে যে যদি আপোনালোকে আর্থিক ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্ত্তন নকৰে, অৰ্থাৎ আজি যি কেন্দ্ৰীয় উৎপাদন পদ্ধতি চলি আছে তাক পৰিবৰ্ত্তন কৰি ঔদ্যোগিক বিকেন্দ্ৰী কৰণত পৰিণত নকৰে তেন্তে আমি আজি যি স্বাধীনতা পাইছোঁ আৰু যদিও সি আজি পূৰ্ণ স্বৰাজ বুলি পৰিগণিত হোৱা নাই তথাপি তাক আমি হেৰুৱাম। এইটোৱেই হৈছে আমাৰ স্বাধীনতাৰ সঙ্কট।

## ক্রয় শক্তি কমৰ সমস্যা

দেশত এটা তৃতীয় সমস্যাই বিকট্ ৰূপ ধাৰণ কৰিছে। সি হৈছে জন সাধাৰণৰ ক্ৰয় শক্তিৰ অভাৱ। খবৰ কাগজ মেলি চালে দেখিবলৈ পাব যে কাৰখানাত তৈয়াৰী মাল জমা হব লাগিছে আৰু কাৰখানাৰ গৰাকীসকলে বিদেশলৈ মাল পঠাবৰ কাৰণে সুবিধা বিচাৰিয়েই আছে। আনফালেদি দেশৰ অসংখ্য নৰ-নাৰীয়ে উপভোগ্য বস্তু নেপাই হাঁহাকাৰ কৰিব ধৰিছে। অৰ্থ-শাস্ত্ৰৰ পণ্ডিতসকলক সুধিলে কয় যে দেশত ক্ৰয় শক্তিৰ অভাৱ হৈছে। মাল কিনিবৰ জোখাৰে খৰিদ্দাৰসকলৰ হাতত ধন নোহোৱা হৈছে। ইয়াৰ অৰ্থ হৈছে

এইটোৱেই যে দেশত ব্যাপী থকা কোটি কোটি জন-সাধাৰণ সম্পূৰ্ণ ৰূপে সম্পত্তিহীন হৈ পৰিছে।

## দেশত দৰিদ্ৰতা কিয় ?

অৰ্থ-শাস্ত্ৰৰ পণ্ডিতসকলে কৈছে যেতিয়ালৈকে দেশবাসীৰ খৰিদ-শক্তি সৃষ্টি নহব, তেতিয়ালৈকে কোনো দেশেই উন্নতি কৰিব নোৱাৰিব। প্ৰশ্ন হয় যে ইমান দৰিদ্ৰতা কিয় বাঢ়ি গৈছে ? এসময়ত আমাৰ দেশ সম্পত্তিৰে ভৰপূৰ হৈ আছিল। দেশবাসীৰ হাতত নানা তৰহৰ সম্পত্তি মজুত আছিল। কিন্তু দুশ বছৰীয়া বিদেশী শোষণৰ কাৰণেই সেই সকলোবোৰ শুকাই যাব ধৰিছে। তৰাং পুখুৰীৰ মাজতে অলপমান দ আছে আৰু চাৰিও ফালৰ পৰা মাটি খহি পোত যাব ধৰিছে। বাৰিষা পুখুৰীটো যেতিয়া ভৰি যাব তেতিয়া ওপৰৰ পৰা গোটেইখন সমতল যেন দেখা যাব। ওখ চাপৰ সকলো ঠাইতে পানীৰে উপচি পৰে। কিন্তু বহাগ বা জেঠ মাহত যেতিয়া পুখুৰীটো শুকাই যায়, তেতিয়া মাজতে অলপ মাত্ৰ পানী থাকে আৰু চাৰিও ফালৰ পানী শুকাই গৈ মাটি ফাট মেলে। এই-দৰেই পুৰণি কালতো দেশত ধনী-দুখীয়া দুয়োটা আছিল। দেশত ধন-সম্পত্তি উপচি আছিল গুণেই দেশৰ ধনী-দুখীয়া সকলোৱেই সুখী আৰু সম্পত্তিবান আছিল। ওপৰৰ পৰা সমান যেন দেখা গৈছিল। কিন্তু বিদেশী শোষণৰ হেতুকে আজি যেতিয়া সম্পত্তিৰ পুখুৰী শুকাই তলি উদং হ'ল, বাদবাকী

যি আছিল সিয়ো সোপাই ধনীৰ হাতলৈ গুচি গ'ল। তাৰ ফলত বিশাল জন-সমুদায় দৰিদ্ৰ হৈ পৰিল আৰু পিয়াহত তেওঁলোকৰ অষ্ঠে-কণ্ঠে শুকাই যাব ধৰিলে। এনেকুৱা অৱস্থাত দেশৰ পৰিস্থিতি কেনে হোৱা উচিত? পুখুৰীৰ পাৰত বহি থকা জনসাধাৰণৰ পিয়াহত যেতিয়া অষ্ঠে-কণ্ঠে শুকাই যাব তেতিয়া তেওঁলোকে পানীৰ ফালে চাই নিৰৱে বহি থাকিব বুলি ভাবেনে? পিয়াহ গুচাবৰ কাৰণে তেওঁলোক পানীৰ ফালে দৌৰি নিশ্চয় যাব আৰু মাজৰ মানুহে পানী বচাবৰ কাৰণে তেওঁলোকক বাধা দিব। এইদৰেই সেই পানীকে লৈয়েই মাজত আৰু পাৰত থকাসকলৰ সংঘৰ্ষ হব। এই সংঘৰ্ষৰ ফলত গোটেই পানী ঘোলনি হৈ পৰিব আৰু কাৰোৰেই পিয়াহ নুগুচিব।

## *বুদ্ধিমানীৰ তাগাদা*

এনে অৱস্থাত যদি মাজৰ মানুহৰ হাতত যি পানী আছে তাৰে অলপকৈ ওঠ তিয়াবৰ জোখাৰে হ'লেও পাৰত থকা মানুহক দিয়ে তেন্তে পিচত সকলো মিলি ভৱিষ্যতলৈ আকৌ পানী শুকাই যাব নোৱাৰাকৈ পুখুৰীটো দকৈ খান্দ পেলাব পাৰিব। যিসকলৰ হাতত অলপ অচৰপকৈ হলেও কিছু সম্পত্তি বৈছে, তেওঁলোক বুদ্ধিমান হলে, তেওঁলোকৰ চাৰিও ফালে থকা সম্পত্তিহীন অথচ শ্ৰম কৰিব পৰা আৰু দৰিদ্ৰতাৰ কবলত পৰি লাও-লোৱা হোৱাসকলৰ মাজত ভগাই দিব।

ইয়াৰ দ্বাৰাই শ্ৰম আৰু সম্পত্তি ভৰপূৰ হৈ পৰিব আৰু ক্ৰয় শক্তিৰ অভাৱত আজি যি দুঃখজনক পৰিস্থিতিৰ উদ্ভৱ হৈছে তাৰ পৰা দেশে অব্যাহতি পাব। এই কাৰণেই সন্ত ৱিনোবাজীয়ে সম্পত্তি দান যজ্ঞ নামৰ তৃতীয় আন্দোলনটো দেশৰ আগত দাঙি ধৰিছে। ই অকল দান, পুণ্য বা ত্যাগৰ আন্দোলন নহয়, বৰং আপোনালোকে যদি অলপ দকৈ চিন্তা কৰি চাই তেন্তে বুজিব পাৰিব যে সম্পত্তি দান যজ্ঞও এটা স্বাৰ্থ ৰক্ষাৰেই আন্দোলন।

## ভূদানৰ দ্বাৰাই বিশ্ব-শান্তি

এই নচিনাকৈয়ে দেশত যি মুখ্য সমস্যাৰ উদ্ভৱ হৈছে তাৰ সমাধান বিনোবাজীৰ দ্বাৰাই সঞ্চালিত ভূদান যজ্ঞ আন্দোলনৰ জৰিয়তে হে হব পাৰিব। এই যজ্ঞই অকল দেশৰেই নহয়, বৰং বিশ্বৰ সমস্যা সমাধানৰো একমাত্ৰ উপায় বুলি কব লাগিব। পণ্ডিত জৱাহৰলালজী চীন, ৰুছ আদি অন্যান্য দেশলৈ গ'লে তেখেতক চাবৰ কাৰণে বা কথা শুনিবৰ কাৰণে বিশ্বৰ চুকে-কোণে থকা মানুহে দল্‌দোপ হেণ্ডোল-দোপ লগাই দিয়ে। ইয়াৰ কাৰণ কি? এওঁলোকে জানো পণ্ডিত জৱাহৰলাল নেহৰুক ব্যক্তিগত ভাৱে জানে? জানে বুলি কেতিয়াও কব নোৱাৰি। সামৰিক তথা আৰ্থিক দৃষ্টিত শক্তিশালী কোনো দেশৰ প্ৰতিনিধি বুলিও

তেখেতক কোনেও স্বাগত জনোৱা নাই। মানুহ তেখেতৰ প্ৰতি অকৃষ্ট এই কাৰণেই হৈছে যে তেখেতে পৃথিৱীবাসীক মহাত্মা গান্ধীৰ বাণী শুনায়। তেখেতে শান্তি আৰু অহিংসাৰ কথা কয়। তেখেতে অকল কথাকে নকয়, বৰং তেখেত যিখন দেশৰ প্ৰতিনিধি তাৰ আভ্যন্তৰিক, ৰাজনৈতিক, আৰ্থিক সমস্যা সমাধানৰ ক্ষেত্ৰতো শান্তিৰ উপায়কে হে অৱলম্বন কৰে। এনেকৈতো আজি পৃথিৱীৰ সকলো ৰাষ্ট্ৰ নায়কেই শান্তিৰ ধ্বনি হে কেউফালৰ পৰা তুলিছে। তেওঁলোকে হিংসাক বৰ্জ্জন কৰিব খুজিছে। তাত্ত্বিক দৃষ্টিকোণৰ ফালৰ পৰা যে তেওঁলোকে অহিংসাৰ প্ৰতি আকৃষ্ট হৈ শান্তি বিচাৰিছে এনে নহয়। এনেকুৱা হবলৈ হোৱা হ'লে, আজি যেনেকৈ এফালেদি শান্তি বিচাৰিছে আনফালেদি যুদ্ধৰ কাৰণে প্ৰস্তুতি চলিছে—এনেকুৱা অন্ততঃ নহ'লহেতেন। আজিৰ যুগ-সমস্যা সমাধানত হিংসামুক্তি অনিবাৰ্য্য হোৱা গুণেই শান্তিৰ সন্ধানত অগ্ৰসৰ হৈছে, নহ'লে আত্ম-ৰক্ষাৰ কাৰণে ভয়। মানুহে প্ৰথমে জীয়াই থাকিব খোজে, তাৰ পিচতহে আনকথা ভাবে।

## মানুহ ভস্মাসুৰ হৈছে

শিক্ষিতসকলৰ আজি এটা ফেছন হৈ পৰিছে। পুৰণি কালত মানুহে কথাইপতি ভগৱানৰ নাম লৈছিল কিন্তু আজি-

ৰালি প্ৰত্যেকেই বুজক বা নুবুজক বিজ্ঞানৰ নাম লৈছে। যি কথাকে নোসোধক তৎক্ষণাত কৈ উঠিব যে ই জানো বিজ্ঞান সন্মত ? কাজেই বিজ্ঞান বৰ্ত্তমান যুগৰ মহাদেৱ। বিজ্ঞানৰ প্ৰচণ্ড বিক্ৰমে আজি পৃথিৱীক অভিভূত কৰি পেলাইছে। মানুহে নিজৰ মঙ্গলৰ কাৰণে বিজ্ঞানৰ আৰাধনা কৰে আৰু তেওঁলোকে নিজৰ আকাংক্ষা অনুসৰি বৰদান পায়। ৰাজ্য আৰু পুঁজিৰ সংগঠনৰ কাৰণে শক্তি সংগ্ৰহেই মানুহৰ আকাংক্ষা হৈ পৰিছে। ৰাষ্ট্ৰৰ প্ৰধানকৈ মনোযোগ গৈছে যুদ্ধত জয় লাভ কৰাৰ প্ৰতি হে। বিজ্ঞান উপাসনাৰ বৰদান স্বৰূপে তেওঁলোকে ভস্ম কৰাৰ শক্তি লাভ কৰিছে অৰ্থাৎ এই যুগৰ মহাদেৱৰ বৰত মানুহ আজি ভস্মাসুৰ হৈ পৰিছে।

## *বিজ্ঞান আৰু হিংসা*

পৌৰাণিক কথাত ভস্মাসুৰৰ যি বৰ্ণনা কৰা হৈছে, সেই বিষয়ে আপোনালোক সকলোৱেই জানে। তেওঁ নিজৰ মূৰত হাত দিয়াৰ বাবেই ভস্ম হৈ পৰিল। আজি মানুহ ভয় ভীত হৈ পৰিছে। বিজ্ঞানৰ ফল স্বৰূপে এটম বোমা, হাইড্ৰোজেন বোমা আদি ভয়ঙ্কৰ অস্ত্ৰৰ যি আবিষ্কাৰ হৈছে, তাৰ কাৰণে তেওঁলোকে বুজি উঠিছে যে এই বৈজ্ঞানিক যুগত সমস্যা সমাধানৰ কাৰণে যদি হিংসাৰ প্ৰয়োগ কৰা যায়, তেন্তে

গোটেই মানৱ সমাজ লোপ পাব। এই কাৰণেই মানুহে এইটো উপলব্ধি কৰিছে যে আজিৰ যুগত বিজ্ঞান আৰু হিংসাক একেলগে ৰাখিব নোৱাৰি। আত্মাৰক্ষাৰ কাৰণে ইহঁত দুটাৰ ভিতৰত যেই সেই এটাক লবই লাগিব। গোটেই পৃথিৱীয়ে এইটোকে ধৰি লৈছে যে মানৱ কল্যাণৰ কাৰণে বিজ্ঞানক আকোৱালি লৈ হিংসাক ত্যাগ কৰা নিতান্ত প্ৰয়োজন।

## *হিংসা আৰু অহিংসা*

কিন্তু য'ত মানুহ থাকিব তাত কেতিয়াবা নহয় কেতিয়াবা অন্যায়, দন্দ্-হাই, মতভেদ আদি চলিয়েই থাকিব আৰু তাক অন্তও কৰিব লগিব। হেজাৰ হেজাৰ বছৰ ধৰি এনেধৰণৰ কাঁজিয়া ভঙা কামত মানুহে হিংসাৰ নীতিকেই অৱলম্বন কৰি আহিছে। তেওঁলোকে সেই নীতিটো ভালকৈ জানে। যেতিয়ালৈকে তেওঁলোকে তাৰ পৰিবৰ্ত্তে অন্য উপায় নেপায় তেতিয়ালৈকে তেওঁলোকে পুৰণা নীতি বা উপায় ত্যাগ কৰিবলৈ সাহস কৰিব নোৱাৰে। আজি বিশ্ব-জগতৰ আগত আন কোনো সমৰ্থৱান তথা সক্ৰিয় উপায় পৰিষ্কাৰ ভাবে ওলাই থকা নাই। আজি মানুহে ভবা উচিত। আন্তৰাষ্ট্ৰীয় টেবুলত যেতিয়া বিভিন্ন ৰাষ্ট্ৰৰ প্ৰতিনিধিসকল বহে তেতিয়া তেওঁলোকে এই কথাটোকে পাতে যে এই

বৈজ্ঞানিক যুগত যুদ্ধ হব নেলাগে, কিন্তু নিজৰ দেশৰ আভ্যন্তৰীণ সমস্যাবোৰ সমাধান কৰিবৰ বেলিকা হিংসাই হে একমাত্র পথ বুলি তেওঁলোকে ভাবে। কিন্তু এনেকুৱা হব নোৱাৰে। দেশৰ ভিতৰুৱা সৰুসুৰা সমস্যাবোৰ অহিংস নীতিৰে সমাধান কৰিব পৰা নেযাব বুলি যি সকলে ভাবে তেওঁলোকে আন্তৰ্জ্জাতিক সমস্যা সমূহক অহিংস নীতিৰে সমাধান কৰিব পাৰিব বুলিনো কেনেকৈ বিশ্বাস কৰিব পাৰে ? ধৰিলওক আপোনালোকে কোনো সৰু নলা বা নদী পাৰ হব লাগে। সাঁতুৰি পাৰ হব পৰা শক্তি আপোনালোকৰ নাই। তাৰ কাৰণে দলং সাজিব লগা হয়। তেনেহলে সাগৰ পাৰ হবৰ সময়ত আপোনালোকে এইটো ভাবিব পাৰেনে যে আপোনা-লোক সাঁতুৰি পাৰ হৈ যাব পাৰিব ? ই কদাচিতো হব নোৱাৰে।

## অহিংস পথ

এতেকে আজিৰ পৃথিৱীত যদি শান্তি প্ৰতিষ্ঠা কৰিব লাগে আৰু এই বৈজ্ঞানিক যুগত মানুহ জীয়াই থাকিবৰ কাৰণে তাৰ আৱশ্যকতা উপলব্ধি কৰে, তেন্তে দেশৰ প্ৰত্যেকটো সমস্যা সমাধান কৰিবৰ কাৰণে অহিংসক উপায়কে বিচাৰি উলিয়াবই লাগিব। ভূদানযজ্ঞ আন্দোলনে পৃথিৱীৰ আগত এনেকুৱা উপায়কে দাঙি ধৰিছে। এই কাৰণেই ৱিনোবাজীয়ে

কৈছে যে বিশ্ব-শান্তিৰ কাৰণে ভূদান আন্দোলন ১৯৫৭ চনৰ ভিতৰতে সফল হব লাগিব। এয়ে হৈ মুঠিলে পৃথিৱীক অহিংসা শক্তিৰ ওপৰত বিশ্বাস জন্মাব পৰা আন উপায় একো নাই। আজি বিশ্ব যি পৰিস্থিতিত উপনীত হৈছে তালৈ লক্ষ্য কৰি বুজা গৈছে যে যদি বিশ্বৰ অহিংসাৰ ওপৰত বিশ্বাস নজন্মে তেন্তে নিৰাশ পৃথিৱীয়ে, হিংসাক আকোৱালি লৈ ধ্বংসৰ মুখত পতিত হবই লাগিব।

## যুগৰ আহ্বান

আজিৰ যুগে মানৱ সমাজক আহ্বান জনাইছে। মানুহে সেই আহ্বান স্বীকাৰ কৰি তাৰ প্ৰত্যুত্তৰ দিব লাগে। ভূদানযজ্ঞ তাৰেই প্ৰত্যুত্তৰ স্বৰূপ। এই কাৰণেই মই কৈছোঁ যে ভূদানযজ্ঞ অলপ ত্যাগ আৰু পুণ্যৰ আৱাহন নহয়, বৰং সি স্বাৰ্থ ৰক্ষাৰ পৰিকল্পনা হে। ইয়াত অকল ব্যক্তিগত আৰু শ্ৰেণীগত স্বাৰ্থৰ কথা নাই, বৰং তাত গোটেই মানৱ সমাজৰ স্বাৰ্থ ৰক্ষাৰ কথা জড়িত আছে।

## প্ৰকৃত স্বৰাজ কি ?

গান্ধীজীয়ে কৈছিল যে স্বাধীনতা পোৱাৰ পিচতো আমি স্বৰাজৰ কাৰণে আকৌ যুজিব লাগিব। আপোনালোকে হয়তো

কব যে স্বাধীনতা হ'ল যেতিয়া স্বৰাজো হ'ল। এতিয়া আপোনালোকে ভাবক যে স্বৰাজ কাক বোলে ? যেতিয়া আপোনালোকে বুজি পাব তেতিয়া আপোনালোকেও স্বৰাজ লবলৈ চেষ্টা কৰিবই।

গান্ধীজীয়ে যেনেকুৱা স্বৰাজৰ কল্পনা কৰিছিল তেনেকুৱা স্বৰাজ আজি পৃথিৱীত ক'তো নাই। আনকি ইংলণ্ড আৰু আমেৰিকাতো নাই। কিছুমান মানুহে ৰাইজৰ ভোট লৈ ক্ষমতা লাভ কৰাটোৱেই স্বৰাজ নহয়, বৰঞ্চ ক্ষমতাৰ অপব্যৱহাৰ হলে বিৰোধ কৰিব পৰা শক্তি যেতিয়া ৰাইজৰ প্ৰত্যেকজন লোকৰেই হব তেতিয়াহে স্বৰাজ হোৱা বুলিব পাৰি। এয়েই যদি হৈ নুঠে তেন্তে ক্ষমতাধিষ্ঠিত সকলৰ দ্বাৰাই ৰাইজ নিৰ্দলিত হব আৰু গণতন্ত্ৰ অৰ্থাৎ স্বৰাজো লোপ পাব।

## অধিকাৰ

আপোনালোকে হয়তো সুধিব পাৰে যে ৰাইজে যেতিয়া সুস্থিৰ ভাৱে গমি-পিতি চাইলৈ এনেকুৱা মানুহক ভোট দিব যি নিস্বাৰ্থ তপস্যাৰে জন সেৱাত ব্যস্ত আছে আৰু যাৰ ওপৰত ৰাইজৰ সম্পূৰ্ণ বিশ্বাস তথা ভৰসা আছে ; তেনে স্থলত এনেকুৱা মানুহৰ দ্বাৰাই অধিকাৰ দুৰ্ব্যৱহাৰ কৰাৰ আশঙ্কা কেনেকৈ কৰিব পাৰি ? ইয়াৰ মনোবৈজ্ঞানিক কাৰণ এইটোৱেই হব যে মানুহে সাধাৰণতে ক্ষমতা পোৱাৰ পিচত

তাক এৰিব নোখোজে বৰং তাত বেছি দিন কেনেকৈ লাগি থাকিবলৈ পায় এইটোৱেই তেওঁৰ চিন্তা ; লাগে ক্ষমতা পোৱাৰ আগত তেওঁ যিমানেই তপস্বী নহওক। এই কথাটো যে অকল কলিযুগতেই প্ৰযোজ্য হব এনে নহয়। ত্ৰিকাল আৰু ত্ৰৈলোক্যৰ কাৰণেও ই সত্য। আপোনালোকে পুৰাণত চাগৈ নিশ্চয় পঢ়িছে যে ত্ৰৈলোক্যৰ আটাইতকৈ ডাঙৰ তপস্বী জনেই ইন্দ্ৰাসন লাভ কৰিছিল। কিন্তু ইন্দ্ৰাসন পোৱা মাত্ৰেই ইন্দ্ৰই পৃথিৱীৰ তপস্বীসকলৰ তপস্যা ভঙ্গ কৰাত লাগি গৈছিল। যি আজীৱন ধৰি ইমান কঠোৰ তপস্যা কৰিছিল তেওঁৰ তপস্যালৈ ঘৃণা কিয় উপজিছিল ? ইয়াৰ কাৰণ বিশ্লেষণ কৰি যদি চোৱা যায় তেন্তে ইয়াকে পোৱা যাব যে তেওঁ ইন্দ্ৰাসন লাভ কৰিয়েই এনে চেষ্টা চলাইছিল যাতে তেওঁৰ সেই আসনখন কোনেও দখল কৰিব নোৱাৰে। ইয়াৰ তাৎপৰ্য্য হৈছে এই যে যি এবাৰ ক্ষমতাত অধিষ্ঠিত হয়, তেওঁ চিৰদিনৰ কাৰণে সেই ক্ষমতা নিজৰ হাতত ৰাখিবলৈ যত্ন কৰে। ইন্দ্ৰৰ নিচিনাকৈ তেৰোঁ লোভ আৰু দমনৰ অস্ত্ৰ ব্যৱহাৰ কৰিব। প্ৰাচীন কালত তপস্যা ভঙ্গ কৰিবৰ কাৰণে ইন্দ্ৰাসনৰ ফালৰ পৰা অপেস্বৰাসকলক পঠোৱা হৈছিল। আজি কালি অপেস্বৰাৰ ঠাইত যেনিবা 'অফিছাৰ'ৰ প্ৰলোভন দেখুৱা হয়, এই খিনিয়েই মাত্ৰ পাৰ্থক্য।

## শিৱ আৰু তাণ্ডৱ

এই নিমিত্তে প্ৰাচীন কালত য'ত ৰাইজক শাসন কৰিবৰ কাৰণে ইন্দ্ৰাসনৰ আৱশ্যকতা বোধকৰা হৈছিল, ত'ত ৰাইজৰ ৰক্ষাৰ কাৰণে শিৱকো প্ৰতিষ্ঠিত কৰা হৈছিল। শিৱ তপস্বী হোৱা সত্বেও ইন্দ্ৰাসনলৈ লোভ কৰা নাছিল বৰং ৰাইজৰ যদি কিবা দুঃখ-কষ্ট হৈছিল তেন্তে তেৱোঁ সকলো ৰাইজৰ লগতে তাণ্ডৱ কৰিছিল। এই কাৰণেই ইন্দ্ৰৰ একাধিপত্য বিস্তাৰ হব নোৱাৰিছিল। আজিৰ পৃথিৱীত ৰাইজৰ লগত শিৱ নথকাৰ কাৰণে ৰাইজ একনায়কত্ববাদৰ বজ্ৰ-মুষ্টিৰ ভিতৰত সোমাই দিনক দিনে চেপেটা খাব ধৰিছে। গতিকে ভাবতে যদি নিজৰ স্বৰাজ প্ৰতিষ্ঠা কৰিব খোজে তেন্তে তেওঁলোকে ৰাইজৰ মাজত শিৱৰ তাণ্ডৱী অৰ্থাৎ বিদ্ৰোহী শক্তিৰ সংস্কাৰ আৰু সঞ্চাৰ এনেভাৱে কৰিব লাগিব যাতে অহৰহ বিদ্ৰোহী শক্তি সৃষ্টি হৈ থকা বাবে ক্ষমতা অপ-ব্যৱহাৰৰ প্ৰতিৰোধ আৰু জন-সত্তাক ৰক্ষা কৰিবলৈ সুবিধা হয়।

## জ্ঞান আৰু মান

এতিয়া প্ৰশ্ন হৈছে যে এনেকুৱা কেনেকৈ কৰিব পৰা যাব? নিজৰ সত্তা ৰক্ষা কৰিবৰ কাৰণে ৰাইজ যিমানেই ব্যাকুল নহওক যদি পৰিস্থিতি অনুকূল নহয় তেন্তে তেওঁলোকে

বিদ্ৰোহ কৰিব নোৱাৰিব। সাধাৰণ ৰাইজৰ মানত জান আৰু মান দুয়োটাই প্ৰিয়। কিন্তু যেতিয়া জান আৰু মান এই দুয়োটাৰ ভিতৰৰ পৰা যেই কেনো এটা হে বাচি লব লগা হব তেতিয়া মানটোক বাদ দি জান ৰক্ষাৰ চেষ্টাত হে থাকিব। অৱশ্যে এইটোও মিছা নহয় যে পৃথিৱীত মান ৰক্ষাৰ কাৰণে জান দিয়াও মানুহ আছিল। সেয়ে যেনিবা এনেকুৱা মানুহ অতি বিৰল। তেওঁলোকৰ নাম ইতিহাসৰ পাতত লিখা থাকে। মানুহে তেওঁলোকক শ্বহীদ্ বোলে আৰু তেওঁলোকৰ পূজাও কৰে। মুঠতে মানৰ কাৰণে মানুহ কচিৎ হে মৰে। সাধাৰণ মানুহে নিজৰ জানটোক বিপদত পেলাই ব্যক্তি স্বাধীনতাৰ কাৰণে ব্যাকুল নহয়। যদি দেশৰ আৰ্থিক ব্যৱস্থা অৰ্থাৎ জন সাধাৰণৰ প্ৰাণ ৰক্ষাৰ আহিলা ক্ষমতাধিষ্ঠিত সকলৰ হাতৰ মুঠিত থাকে তেন্তে ক্ষমতাৰ অপব্যৱহাৰ হলেও ৰাইজে তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব নোৱাৰিব, গণ-তন্ত্ৰ লাহে লাহে লোপ হৈ যাবলৈ ধৰিব আৰু দেশত এক নায়কত্ববাদৰ শিপা শক্তিশালী হৈ উঠিব।

## জীৱ-সাধনা, পুঁজি আৰু শ্ৰম

এইটো পৰিষ্কাৰ ভাৱে ওলাই থকা কথা যে যদি ৰাইজৰ অৰ্থ-নৈতিক জীৱন পুঁজিৰ আশ্ৰয়ত থকা বিধৰ হয়, তেন্তে যাৰ অধীনত পুঁজি থাকিব, ৰাইজৰ সমুদায় জীৱনো

তেওঁলোকৰ অধীনলৈ গুচি যাব। যদি মূল ধন পুঁজিপতি শ্ৰেণীৰ হাতত থাকে তেন্তে সি এটা শ্ৰেণীৰ এক নায়কত্ববাদ হব আৰু যদি সি ৰাষ্ট্ৰীয়কৰণ হয় তেন্তে এক দলীয় এক নায়কত্ববাদ প্ৰতিষ্ঠিত হব। এক নায়কত্ব-বাদ লাগে যেনেকুৱা আহিঁৰেই নহওক সি কেতিয়াও গণ-তন্ত্ৰ হব নোৱাৰে অৰ্থাৎ সি প্ৰকৃত স্বৰাজ নহয়। এই কাৰণেই মহাত্মা গান্ধীয়ে সদায় বিকেন্দ্ৰিত আৰু স্বাৱলম্বী উদ্যোগৰ কথা কৈছিল। বাইজৰ জীৱনৰ মূল আহিলা পুঁজিৰ আশ্ৰয়ত নেৰাখি শ্ৰমৰ আশ্ৰয়ত ৰখাটো তেখেতৰ কাম্য আছিল। অৰ্থাৎ সকলো উৎপাদনৰ আহিলা, যি শ্ৰমৰ দ্বাৰাই উৎপাদন কৰে তেওঁলোকৰ হাতত হে থাকিব লাগে।

## ভূমি দান আৰু স্বাৰ্থৰক্ষা

আপোনালোকে জানে যে প্ৰত্যেক উদ্যোগৰ মূল স্ৰোত হৈছে ভূমি। এই কাৰণে যি মাটিত পৰিশ্ৰম কৰে তেওঁৰ হাতত্তেই হে মাটিও থাকিব লাগে। ইয়াৰ অবিহনে গান্ধীজীয়ে কোৱাৰ দৰে দেশত প্ৰকৃত স্বৰাজ অৰ্থাৎ গণ-ৰাজ্য স্থাপিত নহব আৰু প্ৰকৃত গণ-ৰাজ্য নহলে দেশৰ উদ্বিগ্নতা ও নিৰাকৰণ হব নোৱাৰিব। আৰু যদি দেশৰ উদ্বিগ্নতা দূৰ নহয় তেন্তে মাটিগিৰীও ব্যাকুল হব লাগিব; তেওঁলোকে অকলৈ নিজক

বচাই ৰাখিব নোৱাৰিব। এই হেতুকেই মই কৈছিলোঁ। যে ভূমি দানৰ আহ্বান কেৱল ত্যাগৰেই আহ্বান নহয় বৰং স্বাৰ্থৰো তাগাদা।

## হজুৰ আৰু মজুৰ

বৰ্ত্তমান যুগৰ এটা বিশেষ সঙ্কটপূৰ্ণ পৰিস্থিতিৰ ফালে মই মাটি-গিৰাসকলৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছোঁ। পৃথিৱীৰ কোনো কোনো ঠাইত শ্ৰেণী-সংঘৰ্ষৰ জুই জ্বলিব লাগিছে। এই দৃষ্টিকোণৰ ফালৰ পৰা চালে ভাৰতৰ অৱস্থাও আন আন দেশতকৈ কোনো গুণেই ভাল নহয়, বৰং বেয়াহে। আপোনালোকে এইটোও পৰিষ্কাৰ ভাৱে দেখি আছে যে আজিৰ পৃথিৱী দুটা নিশ্চিত শ্ৰেণীত বিভাজিত হৈ পৰিছে— ইয়াৰে এটাই কায়িক শ্ৰমৰ দ্বাৰাই উৎপাদন কৰি খায়, আনটোৱে দালালি কৰি খায়। উৎপাদন কৰি খাওঁতাসকলক মজুৰ বোলে আৰু আনটোক হজুৰ বোলে। এইদৰেই হজুৰ আৰু মজুৰৰ দুটা শ্ৰেণী হৈ পৰিছে। হজুৰসকলে মজুৰক শোষণ কৰে। এই শোষণ নো কেনেকৈ হয় তাকে এটা চুটি গল্পৰ যোগেদি আপোনালোকক কব খুজিছোঁ। আপোনালোকে বান্দৰ আৰু মেকুৰীৰ বিখ্যাত গল্পটো চাগৈ শুনিছে। দুটা মেকুৰীয়ে অনেক কষ্ট কৰি এটা পিঠা আনিলে। বান্দৰে তাক ভগাই দিয়াৰ দায়িত্ব ললে। বান্দৰ বপুৰাই এনে

সুন্দৰ ব্যৱস্থা কৰিলে যে বেছেৰা মেকুৰী দুটাৰ কাৰণে অকণো পিঠা নেথাকিল; শেষত সিহঁতে নিজৰ হাঁতোৰা কিখনকো চেলেকি দিহাদিহি গুচি গ'ল। এই নিচিনাকৈয়ে সমগ্র পৃথিৱীৰ হজুৰসকলে তথাকথিত ব্যৱস্থাৰ নাম লৈ মজুৰসকলক পাৰেমানে শোষণ কৰিব লাগিছে।

## হজুৰ তৈয়াৰ কৰা কাৰখানা

ইংৰাজ শাসনৰ কাৰণেই শোষণৰ এনেকুৱা পৰিস্থিতি ভাৰতবৰ্ষত বিশেষ ৰূপে প্ৰকাশ পাইছে। ইংৰাজ আহিছিল ভাৰতবৰ্ষক শোষণ কৰিবলৈকে; পিচে ইমান ডাঙৰ দেশখন তেওঁলোকে অকলে শোষণ কৰিব নোৱাৰিছিল। গাৱেঁ গাৱেঁ ঘৰে ঘৰে যাবৰ কাৰণে তেওঁলোকক দালালৰ আৱশ্যক হৈছিল, সেইবাবেই তেওঁলোকে দেশখনত যিমানবোৰ বাবু আছিল সেই সকলোকে সংগঠিত কৰি শোষণৰ এজেণ্ট্ পাতিলে; পিচে বাবু যিমানবিলাক আছিল তাৰে তেওঁলোকক নটা হ'ল। ইয়াকে দেখি তেওঁলোকে হজুৰ অৰ্থাৎ বাবু তৈয়াৰ কৰা কাৰখানা খোলাৰ কথা ভাবিলে। আমাৰ দেশত যি গুৰু-কুল-শিক্ষা-পদ্ধতি আছিল অৰ্থাৎ য'ত গুৰুৰ গৃহত থাকি শিষ্যই কায়িক-শ্ৰমৰ দ্বাৰাই বিদ্যা-লাভ কৰাৰ প্ৰথা আছিল তাক লুপ্ত কৰিলে। ইয়াত এনেকুৱা শিক্ষা-পদ্ধতি প্ৰচলন কৰিলে যাৰ দ্বাৰাই শিক্ষিত হোৱা মানুহ

নিশ্চিত ৰূপেৰে বিনা দ্বিধাই হজুৰ হৈ যাব ধৰিলে। এওঁলোকে চলোৱা কাৰখানালৈ ( স্কুল আৰু কলেজ ) লৈ যদি বনুৱাৰ ল'ৰা যায় তেন্তে তেৰোঁ হজুৰ হৈ হে ওলাই আহে। সকলোবিলাক কাৰখানাৰ স্বধৰ্ম্ম হৈছে এইটোৱেই। ইয়াৰ উপৰিও ইংৰাজসকলক সস্তীয়া হজুৰৰ আৱশ্যক আছিল; এই কাৰণে তেওঁলোকে উৎপাদন বঢ়াবলৈ ধৰিলে। তেওঁলোকৰ দৃষ্টি আছিল এয়েই যে যদি পণ্য-দ্ৰব্য অত্যধিক পৰিমাণত উৎপাদন কৰিব পৰা যায় তেন্তে কম দামতে বাবু পোৱা যাব। আজি ইংৰাজ গুচি যোৱাৰ পিচতো তেনেধৰণৰ আৰু ঠিক সিমান গতিতে চলা হজুৰ তৈয়াৰ কৰা কাৰখানাৰ পৰিমাণ আমি বঢ়াই গৈয়েই আছোঁ। শেষত এইবিলাক বাবু যাব কলৈ? তেওঁলোক গৈ মজুৰৰ কান্ধত উঠি বহি লব, কিয়নো এমুঠিও শস্য উৎপাদন কৰি খাব পৰা বুদ্ধি তেওঁলোকৰ নাই। ইয়াৰ বাহিৰেও ইংৰাজে নিজৰ আৰু ৰাইজৰ মাজত বিভেদ সৃষ্টি কৰিবৰ উদ্দেশ্যে মাটি বেচা-কিনা প্ৰথা চলাই অতি বেছি পৰিমাণত মাটিৰ ওপৰত অনুৎপাদক বাবু শ্ৰেণীৰ তৈয়াৰ কৰি থৈ গৈছে। এইদৰেই চাৰিও ফালৰ পৰা বাঢ়ি অহা হজুৰ শ্ৰেণীৰ বোজ ইমান বেছি হৈ পৰিছে যে আজিৰ মজুৰসকল তেওঁলোকৰ হেঁচাত চেপেটা খাই ত্ৰাহি মধুসূদন! ত্ৰাহি মধুসূদন!! কৰি চিঞৰিব লাগিছে।

# হজুৰ বনাম আকাশী লতা

অত্যধিক সংখ্যাত হজুৰসকল বৃদ্ধি হোৱাৰ পৰা যে অকল মজুৰসকলেই ব্যাকুল হৈছে এনে নহয়। হজুৰসকলৰ অৱস্থাও দিনক দিনে বেয়াৰ ফালে ঢাল লৈছে। আগৰ দিনতো হজুৰ আছিল পিচে তাৰ সংখ্যা মজুৰৰ অনুপাতত বহুত কম আছিল। গতিকে শোষণৰ কাৰণে তেওঁলোকে ৰস যথেষ্ট পৰিমাণে পাইছিল। কিন্তু আজি হজুৰৰ অনুপাত ইমান বাঢ়ি গৈছে যে তেওঁলোকে মজুৰৰ দেহৰ পৰা পোষণ নোপোৱাত পৰিছে। ফলত তেওঁলোক শুকাই যাব ধৰিছে। আজি সামাজিক পৰিস্থিতি এনেকুৱা হৈ উঠিছে যে হজুৰৰ হেচাঁত মজুৰ চেপেটা হৈ মৃত-প্ৰায় অৱস্থাত আছে আৰু আনফালেদি সম্পূৰ্ণ পোষণ নোপোৱা বাবে হজুৰসকলো শুকাই ক্ষীণাই মৰো মৰো হৈ আছে; অৰ্থাৎ গোটেই সৃষ্টি সৰ্ব্বনাশৰ অৱস্থাত উপনীত হৈছে। কিন্তু সৃষ্টি কৰ্ত্তাই নিজৰ সৃষ্টি ধ্বংস হবলৈ নিদিয়ে। আপোনালোকে আনন্দ মনেৰে নিজৰ ঘৰত বাৰী পাতে। আপোনালোকে যিবোৰ গছ-গছনি ৰোৱে সিহঁতে মাটিৰ পৰা ৰস সুহি ডাঙৰ-দীঘল হয়। কেতিয়াবা কেতিয়াবা এই গছ-গছনিবোৰত আকাশী লতা হয়। যেতিয়া সি তাকৰীয়া হৈ থাকে তেতিয়া আপোনালোকে তালৈ মনকে নকৰে; বৰং সেউজীয়া গছত হালধীয়া বৰনবোৰ দেখি চাগৈ ভালহে লাগে। কিন্তু

যেতিয়া সেই আকাশী লতাই গোটেই গছজোপা ছাটি পেলায় আৰু তাক শুকুৱাৰ উপক্ৰম কৰে তেতিয়া আপোনালোকে কি কৰিব ? আপোনালোকে গছ জোপাৰ পৰা সকলোবিলাক আকাশী লতা গুচাই দিলে পুনৰ ডেম্-ডেমীয়া হৈ পৰে ॥ সেই দৰেই সৃষ্টিকৰ্ত্তাই সৃষ্টিতো যিসকলে মাটিৰ পৰা উৎপাদন কৰি খায় তেওঁলোকক হজুৰসকলে আকাশী লতাৰ দৰে ছাটি ধৰিছে। সেই কাৰণেই সৃষ্টি নাশ হওঁ হওঁ অৱস্থা হৈছে। যেনেকৈ বাৰীৰ গছকেইজোপাৰ পৰা আকাশীলতাবোৰ গুচাই বাৰীখন ৰক্ষা কৰে সেইদৰেই সৃষ্টি কৰ্ত্তায়ো মজুৰৰ কান্ধৰ পৰা হজুৰসকলক আঁতৰাই নিজৰ সৃষ্টি ৰক্ষা কৰিবই।

## *উন্মূলন আৰু বিলীনকৰণ*

আজিৰ যুগৰ একমাত্ৰ দাবী হৈছে শ্ৰেণীহীন ৰাম-ৰাজ্য প্ৰতিষ্ঠা কৰাৰ। কিন্তু প্ৰশ্ন হয়—ই হব কেনেকৈ ? ই হোৱাৰ উপায় দুটা আছে—এটা হৈছে মজুৰসকলে তেওঁলোকৰ কাঁচিৰে হজুৰসকলৰ ডিঙি কাটি দিয়া, যাতে পৃথিৱীত অকল মজুৰেই হে থাকি যায়। দ্বিতীয়টোৰ মতে দেশত এনেকুৱা এটা বিপ্লৱৰ সৃষ্টি কৰিব লাগে, যাৰ দ্বাৰাই হজুৰসকল মজুৰ সমাজত নিজকে নিজে বিলীন কৰি দিব পাৰে। এইটোৱেই হৈছে বাবুসকলৰ উন্মূলন আৰু বিলীন কৰণৰ উপায়।

এতিয়া আপোনালোকে ভবা উচিত যে এই দুয়োটা উপায়ৰ ভিতৰত আপোনালোকে প্ৰথমে কোনটোক লব ? প্ৰথমে উন্মূলন বা হত্যাৰ উপায়টোৰ বিষয়েই ভাৱক। আপোনালোকে জানে যে যাৰ ঘৰত চোৰ সোমায় সেই গৃহস্থ ঘৰ টোপনিত থাকে আৰু যি চুৰ কৰে সিহঁত উজাগৰে থাকে। এইদৰেই ইয়াতো মজুৰসকল বেহুঁচ্ বা টোপনিত আছে আৰু হজুৰসকল জাগি আছে। টোপনিত লভ্যজান হৈ থকা মজুৰেতো কাঁচি চলাব নোৱাৰে, তেওঁলোকক জগাব লাগিব। কিন্তু এই বেহুঁচ্, টোপনিত লালকাল হৈ থকা মজুৰসকলক জগাব কোনে ? যিসকলে আগৰে পৰা জাগি আছে তেওঁলোকেই জগাব লাগিব, অৰ্থাৎ হজুৰ শ্ৰেণীৰ কোনোবা মানুহে এই কামটো কৰিব লাগিব।

ইতিহাসত দেখিবলৈ পোৱা গৈছে যে যিসকল মানুহে এই কাম কৰে তেওঁলোকেই মজুৰসকলক নিজৰ নিজৰ ব্যৱস্থা আৰু পৰিচালনাৰ কলা নিশিকোৱা কৈ আন আন ডাঙৰ হজুৰবোৰক মৰাৰ জয়-জয়াকাৰ লগাই দিয়ে। তেওঁলোকে কয় যে আত্ম-ব্যৱস্থা আদি কাম শিকোৱাৰ চক্ৰত মজুৰসকলৰ উৎসাহ-উদ্দিপনা চেঁচা পৰি যাব আৰু তেওঁলোকৰ অন্তৰত কাচি চলোৱাৰ উৎসাহ আৰু নেথাকিব। এই কাৰণে তেওঁলোকে কেৱল কাচি চলোৱাৰ কথাকেহে কয়। তাৰ পিচত যেতিয়া হজুৰ শ্ৰেণী নাশ হৈ যাব তেতিয়া মজুৰসকলৰ নেতৃত্ব কৰা হিতৈষী হজুৰসকলে কব যে মজুৰ-

সকলৰ ভিতৰত এতিয়া কোনেও আত্ম-ব্যৱস্থাৰ যোগ্যতা লাভ কৰিব পৰা নাই অৰ্থাৎ তেওঁলোক বৰ্ত্তমান নাবালকৰ নিচিনা। ইয়াৰ পিচত তেওঁলোক নিজে নিজে সংৰক্ষক হৈ বহি যায় আৰু কয় যে মজুৰসকল প্ৰাপ্ত-বয়স্ক হলে তেওঁলোকক সকলো ব্যৱস্থাৰ ভাৰ সোধাই দিয়া হব। এই দৰেই আমি ইতিহাসত পঢ়িবলৈ পাইছোঁ—যেতিয়াই বিপ্লৱৰ নামত হত্যাৰ আন্দোলন চলিবলৈ ধৰে তেতিয়া আন্দোলন চলি থকা সময়ত "মজুৰৰ ৰাজ্য প্ৰতিষ্ঠা হওক" আদি জয়-জয়াকাৰ লগাই দিয়ে; আন্দোলনৰ পিচত যিসকলে ৰাজ্য ব্যৱস্থাৰ কাম চলায় তেওঁলোকে এই জয় জয়াকাৰটোকে অলপ সলনি কৰি "মজুৰৰ কাৰণে ৰাজ্য" বুলি কবলৈ ধৰে। ইয়াৰ পিচত হজুৰ শ্ৰেণীৰ মানুহ অলপ চতুৰ মজুৰৰ লগত মিলি-জুলি যেতিয়া নিজৰ দল শকত কৰি লয় তেওঁলোকৰ প্ৰতিদ্বন্দ্বিসকলক গুলিয়াই "একছত্ৰী" অধিকাৰ লাভ কৰে আৰু শেষত "মজুৰৰ ওপৰত শাসন" কৰিবলৈ ধৰে অৰ্থাৎ সেই হজুৰশ্ৰেণীয়েই নিজৰ বেশ সলনি কৰি মজুৰসকলৰ বুকুত থামোনপুটি বহি পৰে।

এই পদ্ধতিত কেৱল ব্যৱহাৰিক দোষেই যে আছে এনে নহয়, ইয়াত মনোবৈজ্ঞানিক দোষো আছে। আপোনালোকে জানে যে বিজ্ঞানৰ প্ৰথম নিয়ম মতে কোনো বস্তুৰ নাশ নহয়, কেৱল মাত্ৰ ৰূপ হে পৰিৱৰ্ত্তন হয়। ৰুছ দেশৰ মজুৰসকলে যেতিয়া নিজৰ বুকুৰ ওপৰত বহি থকা পুঁজিপতি

ৰূপী হজুৰক হত্যা কৰিলে তেতিয়া সেই হজুৰসকলে পুঁজিপতিৰ ৰূপ ত্যাগ কৰি দলপতিৰ ৰূপত মজুৰসকলৰ বুকুৰ ওপৰত বহি পৰিল। এবাৰ মজুৰসকলে তেওঁলোকক ওফৰাই দিছিল দেখি এইবাৰ তেওঁলোক আৰু বেছি গহিন হৈ বহিল। সদা-সৰ্ব্বদা আৰু সকলো ঠাইতেই এনেকুৱাই হৈ আহিছে আৰু আগলৈও হৈ থাকিব। ইতিহাসৰ গোটেই চক্ৰই এনেকুৱা উন্মূলন, হত্যা আৰু ৰূপ পৰিবৰ্ত্তনৰ সাক্ষী দিয়ে। এই নিমিত্তেই মই কওঁ যে হত্যামূলক পদ্ধতিৰে কোনো সুফল পোৱা নেযায় বৰঞ্চ অৱস্থা আগতকৈও বেয়া হে হব।

হত্যামূলক পদ্ধতি অবাঞ্চনীয় ও। তাৰ দ্বাৰাই আপোনালোকৰ উদ্দেশ্যও পূৰ্ত্তি নহয়। আপোনালোকে শ্ৰেণী হীন সমাজ বাৰু কিয় কৰিব খুজিছে? পৃথিৱীত সংঘৰ্ষ লোপপাই শান্তি স্থাপিত হবৰ কাৰণেই নহয় জানো? প্ৰত্যেক ক্ৰিয়াৰ প্ৰতিক্ৰিয়া হোৱাটো হৈছে প্ৰকৃতিৰ নিয়ম আৰু ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ঘাত-প্ৰতিঘাত অনন্ত কাললৈকে চলি থাকিব। হত্যা হিংসাৰেই প্ৰতিক্ৰিয়া, আৰু হিংসাৰ প্ৰতিক্ৰিয়া প্ৰতিহিংসা হয়। ইয়াৰ দ্বাৰা হিংসা প্ৰতিহিংসাৰ ঘাত-প্ৰতিঘাত অনন্ত কাললৈকে চলি থাকিব তেনেস্থলত আপোনালোকে কোন কালত গৈ শান্তি স্থাপন কৰিব? এই নিচিনাকৈয়ে আপোনালোকে দেখিবলৈ পাব যে হত্যাৰ পদ্ধতি অব্যৱহাৰিক অবৈজ্ঞানিক আৰু অবাঞ্চনীয়, ইয়াৰ দ্বাৰাই অনন্ত কাললৈকে

উদ্দেশ্য সিদ্ধি হব নোৱাৰিব। অতএব আপোনালোকে আনটো উপায় অর্থাৎ গান্ধীজীৰ পদ্ধতিহে গ্ৰহণ কৰিব লাগিব।

## *গান্ধীজীৰ শ্ৰেণী পৰিবৰ্ত্তনৰ পদ্ধতি*

গান্ধীজীয়ে শ্ৰেণী পৰিবৰ্ত্তনৰ বৈজ্ঞানিক উপায় আমাক দি থৈ গৈছে। তেখেতৰ মতে হজুৰসকলে নিজৰ শ্ৰেণী পৰিবৰ্ত্তন কৰি মজুৰৰ লগত বিলীন্ হৈ যাব লাগে। ইয়াৰ কাৰণে তেখেতে প্ৰত্যেক মানুহকে কিছু নহয় কিছু উৎপাদক শ্ৰম কৰিবলৈ কৈছিল আৰু এনেকৈ কৰোঁতে কৰোঁতে মানুহৰ মনোভাব শ্ৰেণী পৰিবৰ্ত্তনৰ ফালে ঢাল লৈ যাব। তেখেতে কৈছিল যে যি মানুহে সূতা নেকাটে তেওঁ কাপোৰ পিন্ধিবৰো অধিকাৰ নাই। চৰখা সংঘত তেখেতে এনেকুৱা নিয়ম কৰিলে যে দুপইচাৰ সূতা কাটি দিলেহে খাদী পাব পাৰিব। তাৰ পিচত তেখেতে বম্বে আৰু কলিকতাৰ মানুহক ক'লে যে যেতিয়ালৈকে নিজ হাতেৰে শস্য উৎপাদন নকৰিব তেতিয়ালৈকে আপোনালোকৰ খাবৰো অধিকাৰ নেথাকিব। যাৰ ঘৰত মাটি নাই তেওঁ কি কৰিব বুলি সোধা প্ৰশ্নৰ উত্তৰত তেখেতে কৈছিল যে "গামলাতে শস্য উৎপাদন কৰাঁ।" এইটো পৰিষ্কাৰ যে দুপইচাৰ সূতা কটা বা গামলাত শস্য উৎপাদন কৰাৰ পৰা ভাত-কাপোৰৰ

সমস্যা সমাধান নহয়। তথাপি গান্ধীজীয়ে এইদৰে কিয় কৈছিল ? তেখেতে বিচাৰিছিল যে ক্ষন্তেক সময় হলেও প্ৰত্যেক ব্যক্তিয়েই উৎপাদক শ্ৰম কৰি শ্ৰমিক শ্ৰেণীৰ লগত আত্মীয়তা স্থাপিত কৰিবই লাগিব যাতে বিলীন-কৰণৰ ফালে লোক-মানস ঢাল লব পাৰে। তাৰ লগতে তেখেতে নবযুৱকসকলকো কৈছিল যে আপোনালোকে দৈহিক-শ্ৰমৰ দ্বাৰাই নিজৰ জীৱন যাপন কৰি গাওঁত বহি যাওক গৈ। মজুৰ হৈ গাওঁত বহিলে মজুৰৰ বাস্তৱিক নেতৃত্ব কৰিব পাৰিব আৰু সমগ্ৰ গ্ৰাম-সেৱাৰ কাৰ্য্য-সূচীৰ দ্বাৰাই তেওঁলোকৰ আৱশ্যকতা পূৰা কৰিব পাৰিব। তাৰ পিচত আভ্যন্তৰিক ব্যৱস্থাৰ কাৰণে তেওঁলোকক স্বাৱলম্বী কৰি গঢ়ি তুলিব আৰু যি ব্যৱস্থা তথা বিতৰণৰ অজুহাত দেখুৱাই হজুৰসকলে মজুৰৰ নেতা হৈ মজুৰক শোষণ কৰিবলৈ ধৰে, তাকো প্ৰতিৰোধ কৰিব পৰা শক্তি অৰ্জ্জন কৰিব লাগিব। ইয়াকে কৰিব পাৰিলে হজুৰসকলে সেৱা কৰাৰ ভাও ধৰি মজুৰক শোষণ কৰিবলৈ আৰু চেলু নেপাব তাৰ পিচত পৰিস্থিতিত বাধ্য হৈ তেওঁলোকে নিজৰ শ্ৰমৰ দ্বাৰাই উৎপাদন কৰি খাবলৈ ধৰিব অৰ্থাৎ তেওঁলোক মজুৰ শ্ৰেণীত বিলীন হৈ যাব।

পৰিস্থিতিৰ বিবশতা সৃষ্টি কৰি অহিংসক আন্দোলন হব নোৱাৰে। বিবেকৰ দ্বাৰাই জন-সাধাৰণৰ মন তৈয়াৰ কৰিবৰো দৰকাৰ হয়। এই কাৰণে মহাত্মা গান্ধীয়ে হজুৰ শ্ৰেণীৰ বিবেকক গোহাৰি জনাই তেওঁলোকৰ মন পৰিবৰ্ত্তন কৰিব

খুজিছিল আৰু দেশৰ শিক্ষা পদ্ধতিৰো আমূল পৰিবৰ্ত্তন হোৱাটো কামনা কৰিছিল। তেখেতে দেখিছিল যে যিসকল আগৰ পৰাই হজুৰ হৈ আছে তেওঁলোক লাহে লাহে পৰিবৰ্ত্তন হবই; কিন্তু আগলৈ যাতে নতুন হজুৰৰ সৃষ্টি হব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা আগতীয়াকৈ কৰি থব লাগিব। তেখেতে হজুৰ সৃষ্টিকাৰী কাৰখানা অৰ্থাৎ স্কুল আৰু কলেজবোৰ অতি সোনকালে বন্ধ কৰিবলৈ আৰু তাৰ সলনি গোটেই দেশত "নয়ী তালিম" (নৱ শিক্ষা) চলাবলৈ কৈছিল। তেখেতে নয়ী তালিমত উৎপাদন প্ৰক্ৰিয়াকে শিক্ষাৰ মাধ্যম কৰি লৈছিল। এনে কৰাৰ পৰা মজুৰসকলৰ ল'ৰা-ছোৱালী যেতিয়া শিক্ষা লাভ কৰিবলৈ আহিব তেতিয়া সিহঁতে কাম এৰিব লগা নহব আৰু হজুৰসকলৰ ল'ৰা-ছোৱালীয়েও যেতিয়া শিক্ষা সাং কৰি ওলাব তেতিয়া সম্পূৰ্ণৰূপে মজুৰ হৈ হে ওলাব, অৰ্থাৎ ভৱিষ্যতৰ বংশধৰ সকলৰ প্ৰত্যেকজন ব্যক্তিয়েই শিক্ষিত তথা বৈজ্ঞানিক মজুৰ হ'ব আৰু শ্ৰেণী-বৈষম্যৰ জ্বালামুখী শান্ত হৈ পৰিব।

আমাক এইখিনি কথাকে কৈ মহাত্মাগান্ধী আমাৰ মাজৰ পৰা গুচি গ'ল। কিন্তু আমি এই বিপ্লৱৰ ফালে অকণো মন-কান নিদিলোঁ। ফলত শ্ৰেণী বৈষম্যৰ জুই দপ্ দপ্ কৰে জ্বলি উঠিল। এতিয়া যি দেখা গৈছে তৎক্ষণাৎ তাক শান্ত কৰিব নোৱাৰিলে সৰ্ব্বনাশৰ পৰা হাত সাৰিব পৰা নেযাব। আজি এই ভয়ানক পৰিস্থিতিৰ

আলম লৈ বিনোবাজীয়ে ভূদান যজ্ঞৰ আন্দোলনটো থিয় কৰিছে। আজি তেখেতে মাটি-গিৰী আৰু সম্পত্তিবানসকলক আহ্বান কৰিছে যে তেওঁলোকে মাটি আৰু সম্পত্তিৰ পৰা হজুৰৰ অৱস্থা ত্যাগ কৰি মজুৰ অৰ্থাৎ উৎপাদক শ্ৰেণীত মিলি যাওক। বিনোবাজীয়ে আশা কৰিছে যে এই কাম বছৰ দিনৰ ভিতৰতে শেষ হৈ যাব লাগে; কিয়নো আজিৰ যুগে ভাবিবৰ কাৰণে অৱসৰ নিদিয়ে। মাটিগিৰীসকলক চিঞৰি চিঞৰি কব লাগিছে যে "বন্ধুসকল, ধৰিত্ৰী মাতাৰ সকলোবোৰ সন্তান হে। তেওঁৰ স্বামী কোনো নহয়। সন্তানৰ ধৰ্ম্ম হৈছে মাকৰ সেৱা কৰাই আৰু তেওঁৰ কোলাত জিৰণি লোৱা। ইয়াৰ কাৰণে আপোনালোকে নিজ হাতেৰে কাম কৰিব লাগিব—আপোনালোকৰ বগা কাপোৰত হয়তো মটীয়া ৰং লাগিব কিন্তু আপোনালোকে যদি নিজক বচাব খোজে তেন্তে এই কাম কৰিব লাগিবই।

## *শ্ৰেণী পৰিবৰ্ত্তন বা শ্ৰেণী সংঘৰ্ষ*

বগা কাপোৰ পিন্ধা বাবুসকলক যেতিয়া আমি বিনোবাৰ এই বাণী শুনাবলৈ যাওঁ তেতিয়া হয়তো বহুতেই আমাৰ ওপৰত নাৰাজ হব আৰু আমাক হাঁহিত উড়াই দিব খুজিব তেওঁলোকে কব যে—"তোমালোকৰ গান্ধী আৰু বিনোবাই গোটেইখন নষ্টভ্ৰষ্ট কৰি পেলাইছে। আমাক কয় যে

তোমালোকে পথাৰত গৈ কাম কৰা ; ইমান দিন বগা কাপোৰ কানি পিন্ধিয়েই থাকিলো তেওঁ গাত বোকা অকণ লগাবলৈ নহ'ল ; আজি আকৌ তেখেতসকলে আমাক সেই বোকালৈকে ঠেলি দিব খুজিছে।" তেওঁলোকে নাক কোঁচাই কয় যে "তেনেবোৰ কাম কৰিলেতো আমাৰ কাপোৰ-কানি বোৰত মাটি লাগিব।" কিন্তু তেওঁলোকে বুজা নাই। তেওঁলোক বেহুঁচ অৱস্থাত আছে। আপোনালোকে তেওঁলোকক বুজাব লাগিব আৰু পৰিস্থিতিৰ দিগদৰ্শনো কৰাব লাগিব। আপোনালোকে কব লাগিব যে আজিৰ যুগত মজুৰৰ কান্ধত হজুৰে উঠি তিঘিল-ঘিলোৱাটো কোনো পধ্যেই সহ্য নহয় ; হয়—শ্ৰেণী পৰিবৰ্ত্তন, নহয়—শ্ৰেণী সংঘৰ্ষ, এই দুটাৰ এটা বাচি লবই লাগিব। ৱিনোবাজীয়ে কোৱা মতে শ্ৰেণী পৰিবৰ্ত্তনৰ আন্দোলনক তত্তাতৈয়াকৈ সাফল্য মণ্ডিত কৰি তুলিবলৈ নেচাই যদি আপোনালোকে নিজৰ কাপোৰ-কানি হে মাটিৰ দাগ নলগাকৈ ৰাখিব খোজে তেন্তে সেই কাপোৰ হয়তো মাটিৰ দাগ্ নলগাকৈ থাকিবও কিন্তু তাৰ ৰং কেতিয়াও বগা হৈ থাকিব নোৱাৰিব, সি তেজৰ ৰঙৰে ৰাঙলি হবই আৰু সেই ৰং মাটিৰ ৰঙতকৈও বেছি কষ্ট দায়ক হৈ উঠিব।

এই কাৰণেই মই কওঁ যে ৱিনোবাৰ গোটেই আন্দোলনটো দান আৰু দয়াৰ নহয় বৰঞ্চ ই হজুৰৰ স্বাৰ্থ ৰক্ষাৰ আন্দোলন হে। তাক আজি আপোনালোকে অলপ গভীৰ ভাবে চিন্তা কৰি চাব লাগিব। ত্যাগৰ কথা বাদ দি আগাগোৰা ভালকৈ

চাই লৈহে আজি তাৰ মূল্য নিৰূপণ কৰাটো উচিত হব। মাটি আৰু তেজ, এই দুটাৰ ভিতৰত যিটোতে মন খাই তাকে লব লাগিব। আমাৰ মতে শ্ৰেণী পৰিবৰ্ত্তন কৰি মজুৰ হোৱাটোৱেই হে হজুৰৰ কাৰণে শ্ৰেষ্ঠ উপায় হব।

## ৱিনোবা হজুৰ আৰু মজুৰ, উভয়ৰে ৰক্ষক !

কোনো কোনো মানুহে বুবুজা-বুসুজাকৈয়ে কৈ দিয়ে যে ৱিনোবাই হজুৰসকলৰ ৰক্ষাৰ আন্দোলন চলাব লাগিছে। বন্ধুসকল ! ই একো বেয়া কথা নহয়। প্ৰকৃত পক্ষে চাবলৈ গ'লে ৱিনোবাৰ উদ্দেশ্যও হজুৰসকলক ধ্বংসৰ পৰা ৰক্ষা কৰাটোৱেই হে। অৱশ্যে সৰ্ব্বোদয়ে কাৰোৰেই ধ্বংস কামনা নকৰে; বৰঞ্চ সকলোৰে সুৰক্ষা কেনেকৈ হয় তাৰেই হে চিন্তাত থাকে। ৱিনোবাই সকলোৰে উন্নতি হোৱা কামত লাগি আছে। শোষণৰ কাৰণে হজুৰসকলৰ নৈতিক অধঃপতন হৈছে আৰু শোষিত হোৱা বাবে মজুৰসকলৰ ভৌতিক পতন হৈছে। এই যজ্ঞত আহুতি দি হজুৰ শ্ৰেণী উৎপাদক হৈ পৰিলে তেওঁলোকৰ নৈতিকতাৰ উত্থান হব আৰু শোষণ নিৰ্ম্মূল হ'লে বৰ্ত্তমানৰ উৎপাদকসকলৰ ভৌতিক উন্নতি হব। এই নিচিনাকৈয়ে ৱিনোবাই হজুৰ আৰু মজুৰ উভয় কুলৰ ৰক্ষাৰ দিহা কৰিছে।

সংসাৰখন আজি এটা জ্বালামুখীৰ সন্মুখত বহি আছে। যদি আমি পৰিস্থিতিক প্ৰকৃতিৰ ওপৰত এৰি দি হাত সাবটি

বহি থাকোঁ তেন্তে গোটেই সংসাৰখন শ্ৰেণী সংঘৰ্ষৰূপী জুইত পৰি ছাৰ-খাৰ হৈ যাব আৰু মানৱতাৰ সৰ্ব্বনাশ হব। কিন্তু আজি সন্ত ৱিনোবাই দেশবাসীৰ মন যুগৰ আহ্বানৰ ফালে আকৰ্ষণ কৰি কৈছে "আপোনালোকে এই ঘূৰ্ণায়মান বিষ-চক্ৰত পেলাই সংসাৰখনক সৰ্ব্বনাশ কৰিব খুজিছেনে কি? আপোনালোকে এইটো ভাৱেনে যে সংসাৰখন সৰ্ব্বনাশ হোৱাৰ পিচত আপোনা-আপুনি সৰ্ব্বোদয়ো হব নাইবা এইটো ভাবে যে নিজৰ পৌৰুষত্বৰ দ্বাৰাই সৰ্ব্বনাশক দূৰীভূত কৰি সৰ্ব্বোদয় স্থাপন কৰিব ?"

## *যুগৰ মহান্ আহ্বান !*

দেশৰ ডেকাসকলে এইটো বুজি লোৱা উচিত যে ই যুগৰ মহান্ আহ্বান। তেওঁলোকে ৱিনোবাৰ এই গুৰু গম্ভীৰ আহ্বানৰ প্ৰত্যুত্তৰ স্বৰূপে নিজৰ সকলোবোৰ কাম এৰি এবছৰৰ কাৰণে কেন্দ্ৰিভূত আৰু সহযোগী প্ৰচেষ্টাৰে এই জ্বালা-মুখীক নিৰ্ব্বাপিত কৰিবনে নাই নিষ্ক্ৰিয় হৈ হাত সাবটি বহি থাকি জ্বালামুখীৰ উদ্গীৰণলৈ বাটচাই থাকিব ? যদি তেওঁলোকে ইয়াকেই হে কৰিব খোজে তেন্তে মই কওঁ যে ইতিহাসত তেওঁলোকৰ এই কাপুৰুষতাক কেতিয়াও ক্ষমা নকৰিব। আগন্তুক পীৰিয়ে তেওঁলোকক এই বুলি কৈ ধিক্কাৰ দিব যে গান্ধীৰ নিচিনা মহান্ যুগ-পুৰুষ আৰু ৱিনোবাৰ নিচিনা মহান্ পুৰোহিতৰ দীক্ষা থকা সত্বেও এই অকৰ্ম্মণ্যহঁতে নিজৰ

দুৰ্ব্বুদ্ধিৰ দোষত নিজে যি নগমে ডুবিলেই সে আনকি আমাকো ডুবাই থৈ গৈছে। কিয়নো স্বাধীনতাক পুনৰ আৰ্থিক দাসত্বৰ ভৰা সমুদ্ৰত ডুবুৱাৰ কলঙ্ক, দেশত গণ-তন্ত্ৰৰ ঠাইত এক নায়কত্ববাদ স্থাপন হোৱাৰ দায়িত্ব আৰু হিংসা-প্ৰতিহিংসাৰ ঘাত-প্ৰতিঘাতত পৃথিৱীক অনন্ত কাললৈ জৰ্জ্জৰিত কৰি ৰখাৰ শ্ৰেষ্ঠত্ব ও এওঁলোকৰ নিষ্ক্ৰিয়তাৰ দোষতেই হে হব।

মই আশা আৰু বিশ্বাস কৰোঁ যে ভাৰতীয় ডেকাসকলে যেন নিজৰ ওপৰত কলঙ্কৰ কালিমা লাগিবলৈ নিদিব বৰং হেজাৰ হেজাৰ আৰু লাখ-লাখ সংখ্যাত উৎসাহ উদ্দীপনাৰে সৈতে ভূ-দান-যজ্ঞৰ এই মহান্ বিপ্লৱত জপিয়াই পৰিব।

## শঙ্কা আৰু সমাধান

### *দানৰ অৰ্থ*

**শঙ্কাঃ**—আপুনি ভূমি দান বিচাৰিছে যেতিয়া তাৰ ওপৰত যে জমিদাৰৰ অধিকাৰ আছে তাকো স্বীকাৰ কৰা হৈছে। ইফালে আপুনিয়েই আকৌ কয় "সকলো মাটি গোপালৰ" মই দেখোন দুয়োটা কথা অলপ অমিল যেন পাইছো ?

**সমাধানঃ**—'দান' শব্দটোৰ প্ৰকৃত অৰ্থ ভিক্ষা নহয়। ইয়াৰ আচল অৰ্থ হৈছে সম-বিভাজন। এই কথাটো বিনোবাজীয়ে কেইবাবাৰো দেশবাসীক কৈ আহিছে। সকলো মাটি গোপালৰ কাৰণেইতো ন্যায়তঃ ইয়াক যি সকলে চহ কৰে তেওঁলোকেহে পাব লাগে বুলি বিনোবাজীয়ে দাবী কৰিছে

আৰু সেই কাৰণেই তেখেতে ভূমি-পতি সকলক তেওঁলোকৰ মাটি-বাৰী দুখীয়া খেতিয়কক সমানে বিলাই দিবলৈ কৈছে।

## বিপ্লৱৰ প্ৰকৃত ধাৰণা

**শঙ্কাঃ**—সমালোচক সকলে কয় যে ভৱিষ্যৎ বিপ্লৱক ৰোধ কৰিবৰ কাৰণেই ৱিনোবাই এই চেষ্টা চলাইছে, এইটো কিমান দূৰ ঠিক হব? সঁচাকৈয়ে যদি ৱিনোবাৰ চেষ্টা এই কাৰণেই হৈছে তেন্তে তেখেতৰ সেই চেষ্টা সফল হব নে?

**সমাধানঃ**—বৰ্ত্তমান ৱিনোবাজীৰ যি আন্দোলন চলিবলাগিছে সি ভৱিষ্যৎ বিপ্লৱৰ নহয়। পৃথিৱীৰ আজিৰ অৱস্থালৈ চাই ভৱিষ্যৎ বিপ্লৱৰ কাৰণে অপেক্ষা কৰাটো সম্ভৱপৰ নহয়। এই কাৰণে ৱিনোবাজীয়ে এই আন্দোলন যিমান সোনকালে পাৰে আৰম্ভ কৰি দিছে। যেতিয়া তাৎকালিক বৈপ্লৱিক আন্দোলনৰ দ্বাৰাই সমস্যা সমাধান হৈ পৰিব তেতিয়া ভৱিষ্যৎ বিপ্লৱৰ কাৰণে কোনো অৱকাশেই নেথাকিব। এনেকুৱা অৱস্থাত যদি ৱিনোৱাজীৰ আন্দোলনে সমস্যা সমাধান কৰি ভৱিষ্যতে হোৱাৰ আগন্তুক থকা কল্পিত বিপ্লৱক ৰোধ কৰিব পাৰে তেন্তে তাৰ দ্বাৰা মানৱ সমাজৰ অধিক কল্যাণ হে হব। ইয়াকে নকৰি মানুহে বৰ্ত্তমানক বাদ দি ভবিষ্যতৰ বিপ্লৱৰ কাৰণে খাপলৈ থকাটো কেতিয়াও যুক্তি সঙ্গত হব নোৱাৰে। বিপ্লৱ বিপ্লৱৰ কাৰণে নহয় সমস্যা সমাধানৰ কাৰণেহে।

আপুনি এইটো বুজি লোৱা উচিত যে যেতিয়া পৃথিৱীৰ দাবী নিশ্চিত ৰূপেৰে কোনো বিপ্লৱৰ কাৰণে কৰা হয় তেতিয়া কোনো শক্তিয়েই সেই বিপ্লৱক স্থগিত কৰিব নোৱাৰে। যি সকলে ভৱিষ্যৎ বিপ্লৱৰ কথা ভাবে, তেওঁলোকে ধৰি লৈছে যে বিপ্লৱাত্মক পৰিস্থিতি এতিয়াও উদ্ভৱ হোৱা নাই বা তেওঁলোকৰ বিপ্লৱৰ প্ৰকৃত ধাৰণাই হোৱা নাই। বিপ্লৱ কেতিয়াও পুৰণি কিতাপত লিখা সূত্ৰ অনুসৰি নহয়। যুগে যুগে সি নতুন পদ্ধতি আৰু নতুন ৰূপতহে আহে। দুৰ্ভাগ্য বশতঃ যি সকলে এনেকুৱা সমালোচনা কৰে তেওঁলোকৰ মগজত বিপ্লৱৰ কাৰণ কোনো শাস্ত্ৰীয় সূত্ৰৰ অনুসৰিহে হয়। এনেকুৱা ৰক্ষণশীল লোকসকলে ৱিনোবাজীৰ নতুন বিপ্লৱৰ কথা বুজিব নোৱাৰাটো স্বাভাৱিকেই। আপোনালোকৰ ভিতৰত যি সকলে ভূমি সমস্যা সমাধানত লাগিব খুজিছে তেওঁলোকক মই কওঁ যে আপোনালোকে বৰ্ত্তমান সমস্যাৰ সমাধানৰ উপায় প্ৰাচীন কিতাপৰ পাতত নিবিচাৰি নিজে পৰিস্থিতিৰ অধ্যয়ন কৰক, আৰু স্বতন্ত্ৰৰূপে ভাবক তেতিয়া ভূদান যজ্ঞৰ আধাৰ-ভূত বিপ্লৱৰ কথা আপোনালোকে নিজে নিজে বুজিব পাৰিব। তাৰ পিচত আপোনালোকে দেখিবলৈ পাব যে ৱিনোবাৰ বিপ্লৱ দেশ তথা পৃথিৱীত যিমান বেগেৰে বিস্তাৰিত হৈ যাব ধৰিছে সিমান বেগেৰে ইতিহাসত কোনো বিপ্লৱেই বিস্তাৰিত হৈ যাব পৰা নাছিল। তেনেস্থলত ইয়াৰ সফলতাত সন্দেহ ক'ত ?

## আইনতকৈ যজ্ঞৰ স্থান ওপৰত

শঙ্কাঃ—ভূমি দান যজ্ঞৰ পদ্ধতি বহু দিনীয়া পদ্ধতি। ইমান দিন অপেক্ষা কৰিলে ৰাইজৰ অৱস্থা কি হব? এই কাৰণে তৎক্ষণাত আইন কৰি বা ৰক্তাক্ত বিপ্লৱ কৰি যথা শীঘ্রে সমস্যাৰ সমাধান কিয় কৰা নহয়?

সমাধানঃ—আপোনাৰ প্রশ্নৰ পৰা যিমান দূৰ বুজিব পাৰিছোঁ আপোনালোকে পুংথি কিতাপৰ বেটুপাতৰ বাহিৰ হব পৰা নাই। মই অলপতে কৈ আহিছোঁ যে ইতিহাসত কোনো বিপ্লৱৰেই গতি ইমান তীব্র হোৱা নাছিল। মাটি পুনৰ বিভাজনৰ কাৰণে আপোনালোকে যি উপায়কে অৱলম্বন নকৰক তাত গতানুগতিক আইনৰ মোহৰ লাগিবই।

এতিয়া প্রশ্ন হৈছে এই যে ইয়াত মোহৰ কেনেকৈ লাগিব? ইয়াৰ কাৰণে দুটা উপায় আছে। আজি যি সকলৰ আইন প্রণয়ন কৰিবৰ অধিকাৰ আছে তেওঁলোকৰ ওপৰত প্রভাৱ বিস্তাৰ কৰি তেওঁলোকৰ দ্বাৰাই মোহৰ লগাব পাৰি। দ্বিতীয়টো উপায় হৈছে ক্ষমতা অধিকাৰ কৰি আইন তৈয়াৰ কৰিবলৈ যোৱাটো। এটা ভোটৰ বৈধানিক উপায় দ্বিতীয়টো হৈছে অস্ত্র আৰু বল প্রয়োগৰ উপায়। আন আন দেশত এই দুয়োটা উপায়েৰেই কাম কৰিছে। ভোটৰ বিষয়ত বৃটেইন আটাইতকৈ জাগ্রত দেশ বুলি পৰিগণিত। তথাপি তাৰ মজুৰ দলে অধিকাৰ পাওঁতে ২৫ বছৰ লাগিছিল

আৰু সেই অধিকাৰক সু সংগঠিত কৰাৰ আগতেই তেওঁলোকে পুনৰ হাৰ মানিব লগাত পৰিল। কব নোৱাৰোঁ তেওঁলোক সফল হবলৈ আৰু কিমান বছৰ লাগিব। চীনৰ কমিউনিষ্ট পাৰ্টীয়ে অস্ত্ৰ আৰু বল প্ৰয়োগৰ উপায় অৱলম্বন কৰিছিল। এই উপায়তো তেওঁলোকৰ ৩২ বছৰ লাগিছিল। যদিও চীনৰ ৰাষ্ট্ৰীয় চৰকাৰ জাপানীৰ আক্ৰমণত আৰু গৃহযুদ্ধত জৰ্জ্জৰিত হৈ আছিল। ইয়াৰ লগত তুলনা কৰিহে ভূদান যজ্ঞ উপায়ৰ বিষয়ে ভাবিব লাগে। এই আন্দোলন চলিবৰ আজি মাত্ৰ তিনি বছৰ হৈছে। এইখিনি সময়ৰ ভিতৰতে মাটি থিৰেৰে থাকিব পৰা নাই। আপুনি বোধ কৰো জানে যে আজি মাটি কিনা-বেচা কৰাটো প্ৰায়েই বন্ধ হৈছে। অকল মাটিয়েই যে একে ঠাইতে থিৰেৰে থাকিব পৰা নাই এনে নহয়, যি সকলে মাটিৰ সমবিভাজনৰ সিদ্ধান্ত মানিব নুখুজিছিল তেওঁলোকৰো অন্তৰ পৰিবৰ্ত্তন হৈছে। তেওঁলোকে মানি লৈছে যেতিয়া মাটিৰ পুনৰ বিভাজন হবই। এনে ভাৱে অগ্ৰগতি হবই লাগিছে; নহবৰ তো কোনো কাৰণকে দেখা নেযায়। পাঁচ বছৰৰ ভিতৰত ভূমিৰ সম বিভাজন হবই, ইয়াত কোনো সন্দেহ নাই। যদিও আপুনি আইনৰ কাৰণে বেছি ব্যগ্ৰ তথাপিতো আপুনি এইটো ভবা উচিত যে এই যজ্ঞই যেতিয়া অতি কম সময়ৰ ভিতৰতে বিধান সভাৰ অধিকাৰী তথা বিৰুদ্ধী দলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে তেনেস্থলত আইন প্ৰনয়ণ হবলৈ নো আৰু কিমান

সময় লাগিব ? এই নিচিনাকৈয়ে যদি আপুনি গভীৰ ভাৱে তুলনাত্মক অধ্যয়ন কৰি চায় তেন্তে বুজিব পাৰিব যে এই যজ্ঞৰ দ্বাৰাই যিমান সোনকালে ভূমি-সমস্যা সমাধান কৰিব পৰা যাব সিমান সোনকালে ইতিহাসত আন কোনো উপায়েৰেই সমাধান কৰিব পৰা নহৈছিল।

## ভূদান যজ্ঞ—সমুদ্ৰ মন্থন

শঙ্কা :—ভূদান যজ্ঞ আপোনালোকে সকলো পাৰ্টীৰ সহযোগেৰে চলাব লাগিছে। ইয়াত এনেকুৱা মানুহো সংশ্লিষ্ট আছে যাৰ চৰিত্ৰৰ বিষয়ত ৰাইজৰ দোৰ্ঘোৰ আপত্তি। এনেকুৱা অৱস্থাত আপুনি কব খোজে নে যে এই আন্দোলন ৰাইজৰ বিশ্বাস ভাজন হব পাৰিব ?

সমাধান :—সৰ্ব্বোদয়ে সকলোৰে উদয় অৰ্থাৎ সকলোৰে আত্ম-শুদ্ধি বিচাৰে। এই নিমিত্তে এনে ধৰণৰ আত্ম-শুদ্ধি মূলক আন্দোলনত সকলোৰে সহযোগ কৰাটো সৰ্ব্বোদয়ৰ দৃষ্টিৰে সমৰ্থনীয়। ৰাইজে এইটো নেচায় যে আন্দোলনৰ মূল সোঁত কি ? যদি এই সোঁত কল্যাণকাৰী হয় তেন্তে তাত যদি কোনো দূষিত মানুহো থাকে তেনেহলে তেওঁলোক ধৌত হৈ চাফ্ হৈ পৰিব, নাইবা কোনো একাষত গৈ বৈ যাব। পৱিত্ৰ গঙ্গাৰ সোঁততো শ শ চহৰৰ আবৰ্জ্জনা তথা ময়লা দিনে দিনে পৰিবই লাগিছে, তথাপি গঙ্গাৰ শোধন শক্তিৰ অভাৱ হোৱা নাই। আপোনাৰ গাৱঁৰ দৈনন্দিন

কামতো আপুনি চাগৈ এনেকুৱা অভিজ্ঞতাই নিশ্চয় পাইছে। কেতিয়াবা যদি নলা-নৰ্দ্দমা চাফ কৰিবলৈ লোৱা হয় তেন্তে পোনতে দুৰ্গন্ধই ওলায়। কুঁহিয়াৰৰ ৰস পগাওতে প্ৰথমতে গেদেৰিকে—গেদেৰিয়েই ওলায়। আপুনি পুৰাণতো পঢ়িবলৈ পাইছে চাগৈ যে সমুদ্ৰ-মন্থনত বিষৰ পিচতহে অমৃতৰ দৰ্শন হৈছিল। অতএব যদি আপুনি কিবা বেয়া দেখিছেও তেন্তে আপুনি বুজা উচিত যে আত্ম শুদ্ধিৰ প্ৰকৃত প্ৰক্ৰিয়া আৰম্ভ হৈছে।

সমুদ্ৰ-মন্থনত সুৰ আৰু অসুৰ দুয়ো দলেই লাগিছিল। তোৰাৰ অৰ্থ হৈছে এই যে ভূদান যজ্ঞ মানৱৰ পৰিশোধন প্ৰক্ৰিয়া। ইয়াত যদি আপুনি বিষ আৰু অসুৰক দেখা পাইছে তেন্তে বিশ্বাস কৰক যে সেই সকলোবোৰ শেষত শুদ্ধ হৈ সুধাত পৰিণত হব। আৰু এনেকুৱা হৈছেও। এতিয়ালৈকে পৰস্পৰে পৰস্পৰক শত্ৰুতা আচৰণ কৰি থকা ভিন্ ভিন্ দলবিলাকে প্ৰেম-পূৰ্ব্বক ঐক্যবদ্ধ হৈ কান্ধত কান্ধ মিলাই কাম কৰিবলৈ ধৰিছে। শোষক আৰু শোষিতৰ মাজত থকা বৃহৎ প্ৰাচীৰ ভূদান যজ্ঞৰ প্ৰগতিৰ লগে লগে ক্ৰমে নিৰ্চিহ্ন হৈ যাব ধৰিছে। এনেকুৱা স্বয়ং সিদ্ধ তথ্য দেখিও আপোনাৰ শঙ্কা বৈ গৈছেনে?

## সফলতাৰ দূৰত্ব বাধক নহয়

**শঙ্কাঃ—** আপুনি কলেই জানো সকলোৰে অন্তৰ পৰিবৰ্ত্তন হৈ পৰিব ? যদি হয়ো তেন্তে যেতিয়ালৈকে এনেকুৱা নহয় তেতিয়ালৈকে যি সকল ভোকত মৰিব লগীয়া হৈছে তেওঁলোকৰ অৱস্থা কি হব ?

**সমাধনঃ—** অৱশ্যে মই কলেই যে নহয় এইটো ঠিক কিন্তু পৰিস্থিতিৰ দিগ্দৰ্শন হ'লে মানুহৰ অন্তৰ পৰিবৰ্ত্তন নোহোৱাকৈ থাকিব নোৱাৰে। কোনো কোনো লোকে স্বতন্ত্ৰ ৰূপে পৰিস্থিতিক বুজিব, কোনোৱে বাতাৱৰণৰ দ্বাৰাই প্ৰভাৱিত হব আৰু কোনোৱে হয়তো পৰিস্থিতি অনিবাৰ্য্যতালৈ লক্ষ্য কৰি ইয়াক মানিয়েই লব। তেতিয়ালৈকে দুখীয়াৰ অৱস্থা যেনে আছিল তেনেই থাকিব। তেওঁলোকৰ অৱস্থা শুধৰণীৰ কাৰণেই এই আন্দোলনৰ উৎপত্তি। যিটো শুধৰণীৰ নিমিত্তে এই আন্দোলন চলোৱা হৈছে সি সফল হোৱাৰ আগতে শুধৰণী হোৱা জানো পৃথিৱীত কেতিয়াবা দেখা পাইছে ? আপুনি যি কোনো উপায়েৰেই দুখীয়াৰ দুঃখ গুচাবলৈ চেষ্টা নকৰক লাগিলে যেতিয়ালৈকে সি দূৰ নহব; তেতিয়ালৈকে মানুহ দুখীয়া হৈয়েই থাকিব লাগিব। চীনতো যেতিয়ালৈকে কমিউনিষ্ট পাৰ্টীয়ে যুদ্ধ চলাই আছিল তেতিয়ালৈকে দুখীয়াৰ অৱস্থাৰ বিশেষ পৰিবৰ্ত্তন একো হোৱা দেখা নগৈছিল বৰঞ্চ আন্দোলনৰ মাজ-ভাগত তেওঁলোকৰ অৱস্থা আগতকৈও বেছি শোচনীয় হৈ পৰিছিল। ভূদান যজ্ঞৰ বিশেষত্ব হৈছে

এই খিনিতেই যে বিপ্লৱ সফল নোহোৱালৈকে যদিও দুখীয়াৰ দুঃখ দূৰ নহয়, তথাপি বিপ্লৱ চলি থকা সময়ত তেওঁলোকৰ অৱস্থা বেয়াৰ ফাললৈ যাব নোৱাৰে; বৰং যি পৰিমাণে মাটি বিতৰণ কৰা হব সেই পৰিমাণেই দুখীয়াৰ দুখো পাতলি হৈ যাব।

## *সৰ্ব্বোদয় অৰ্থাৎ নৈতিক ভৌতিক দুয়োটাৰ উন্নতি*

শঙ্কাঃ— ভূমি-দান বা অন্য কোনো আন্দোলনৰ দ্বাৰা উৎপাদনৰ আহিলাৰ বিকেন্দ্ৰীকৰণ হলে এটা নহয় এটা শ্ৰেণীৰ অহিত হবই, তেন্তে সৰ্ব্বোদয় কেনেকৈ হ'ল? সৰ্ব্বোদয় মানে সকলোৰে উদয় অৰ্থাৎ উন্নতি নহয় জানো?

সমাধানঃ—উৎপাদক আহিলাৰ কেন্দ্ৰীকৰণৰ দ্বাৰাই সমাজত যে শোষণ চলে তাক মই আগতেই কৈ আহিছোঁ। যেতিয়া সমাজত শোষণ চলিবলৈ ধৰে, তেতিয়া শোষক আৰু শোষিত উভয়ৰেই পতন হয়। এটাৰ নৈতিক পতন আৰু আনটোৰ ভৌতিক পতন হয়। ভূমি দান যজ্ঞৰ দ্বাৰাই মাটিগিৰী সকলৰ নৈতিক উদয় হব আৰু ভূমি-হীন মজুৰৰ ভৌতিক উদয় হব। হানি কাৰোৰেই নহয়।

## *জন-শক্তিৰ কাম*

শঙ্কাঃ—পণ্ডিত জৱাহৰলাল নেহৰু আৰু বহুতো ৰাজ্যিক মুখ্য মন্ত্ৰীয়ে ভূদান-যজ্ঞত কাম কৰিবলৈ গোহাৰি জনাইছে।

*যদি তেওঁলোকে এইটো মানেই তেন্তে আইন কৰি মাটি* বিতৰণ কিয় নকৰে ? চৰকাৰৰ ওপৰতো ৱিনোবাজীৰ যথেষ্ট প্ৰভাৱ আছে তথাপি তেখেতে চৰকাৰক আইন কৰিবলৈ নকৈ ইমান দুঃখ কষ্ট খাই কিয় ঘূৰি ফুৰিছে ?

**সমাধানঃ—** চৰকাৰে কিয় আইন নকৰে এই প্ৰশ্নটো আপুনি অনুগ্ৰহ কৰি চৰকাৰী উচ্চ পদস্থ বিষয়াসকলক সোধক। তেওঁলোকে হয়তো ভাবিছে যে আইন প্ৰনয়ণ কৰিলে দেশত যি বিৰোধ ভাৱৰ সৃষ্টি হব তাৰ দ্বাৰা ৰাজ্যত অশান্তি বিয়পাৰ হে সম্ভাৱনা আছে। এই গতিকে তেওঁলোকে ভূদান যজ্ঞত সহায় কৰি আইনৰ কাৰণে অনুকূল বা-বতাহৰ সৃষ্টি কৰাই লব খুজিছে। কিন্তু আচল কথাটো তেওঁলোকেহে কব পাৰিব। ৱিনেবাজীয়ে তেওঁলোকক আইন কৰিবলৈ কিয় নকয় তাৰ উত্তৰ মই দিব পাৰোঁ।

ভূমি দান যজ্ঞৰ লক্ষ্য অকল মাটিৰ সমবিভাজন কৰাই নহয়। ই মূল বিপ্লৱৰ আৰম্ভণিহে মাত্ৰ। আচল বিপ্লৱ হৈছে শোষণহীন সমাজ ৰচনাকৰাৰহে। শোষণ যে কেৱল মানুহৰ শৰীৰৰ হে হয়, এনে নহয়। আত্মাৰো শোষণ হয়। এই শোষণ শাসনৰ দ্বাৰাই স্বাধীনতা খৰ্ব্ব কৰি কৰা হয়। যি পৰ্য্যন্ত মানুহৰ ওপৰত শাসন থাকিব সেই পৰ্য্যন্ত আত্মা কুণ্ঠিত হবই। এতেকে পূৰ্ণ-ৰূপে শোষণ-হীন সমাজ তেতিয়াহে সম্ভৱ হব, যেতি। পৃথিৱী শাসন মুক্ত হব পাৰিব।

পৃথিৱীত দুটা শক্তিয়ে কাম কৰিছে। এটা হৈছে দণ্ড-শক্তি আৰু আনটো হৈছে জন-শক্তি। সমাজৰ সংগঠন আৰু পৰিচালনা যদি দণ্ড শক্তিৰ আশ্ৰয়ত হে হয় তেন্তে পৃথিৱী কেতিয়াও শাসনহীন হব নোৱাৰিব। শাসনহীন সমাজ প্ৰতিষ্ঠা কৰিবলৈ হলে সামাজিক সমস্যাৱলীৰ সমাধান কেৱল জনশক্তিৰ আধাৰতহে হব লাগে আৰু সমাজত দণ্ড-শক্তিৰ কোনো আৱশ্যকতাই নাই।

ভূমি সমস্যাৰ নিচিনা জটিল প্ৰশ্নক যদি আমি দণ্ড-শক্তি নোহোৱাকৈয়ে সমাধান কৰি লব পাৰোঁ তেন্তে পৃথিৱীত শাসন-হীন সমাজ প্ৰতিষ্ঠা কৰাৰ দিশাত এটা বৰ ডাঙৰ দুৰ্গ জয় কৰি লোৱাৰ নিচিনা হব। তাৰ পাচত সমাজৰ সংগঠন আৰু পৰিচালনাৰ দৰে সৰু কথাবিলাক দণ্ড-নিৰপেক্ষ হৈয়ো জন-শক্তিৰ ভৰসাত চলাই যাবলৈ সহজ হৈ পৰিব। এই কাৰণেই আমি দণ্ড-শক্তিক বাদ দি জন-শক্তিৰ আধাৰত নিজৰ সকলো কাম কৰি যাবলৈ চেষ্টা কৰিছোঁ। ইয়াৰ দ্বাৰাই ৰাইজৰ অন্তৰত আত্মবিশ্বাসৰ ভাব জাগি উঠিব আৰু এইটোও বুজিবলৈ বাকী নেথাকিব যে দণ্ড নিৰপেক্ষ সমাজ কেৱল সম্ভৱেই নহয় বৰং ব্যৱহাৰিকো। ফলত তেওঁলোকে শাসন-হীন সমাজৰ ফালে আগবাঢ়ি যাবলৈ নতুন উৎসাহ আৰু প্ৰেৰণা পাব।

## বাদ আৰু যোগৰ পাৰ্থক্য

**শঙ্কাঃ—** আপোনালোকে শাসনহীন, শ্ৰেণীহীন সমাজৰ কথা কয়; আৰু সাম্যবাদীয়েও দেখোন শাসনহীন সমাজ প্ৰতিষ্ঠা কৰাটোয়েই আমাৰ লক্ষ্য বুলি কয়; তেনেহলে সৰ্ব্বোদয় আৰু সাম্যবাদীৰ ভিতৰত পাৰ্থক্য কি ?

**সমাধানঃ—** বিনোবাজীয়ে নিজৰ কামক সাম্য-যোগ বুলি কয়। 'বাদ' আৰু 'যোগ'ত যি পাৰ্থক্য আছে, এই দুটা মূল-তত্ত্বতো সেই একে পাৰ্থক্যই। 'বাদ' শব্দই কেৱল আদৰ্শ আৰু দৰ্শনকহে বুজায়; কিন্তু যোগ শব্দৰ মানে হৈছে অভ্যাস।

সাম্যবাদীয়ে কওঁতে শাসনহীন সমাজ প্ৰতিষ্ঠা কৰাৰ কথাকে কয় কিন্তু কামত তাৰ ওলোটাটো কৰে। তেওঁলোকে দিনক দিনে মানৱ সমাজৰ ওপৰত শাসনৰ আধিপত্য বঢ়াইহে যাব ধৰিছে আৰু মুখত কয় "অন্তত শাসন ক্ষীণ হৈ যাব।" আদৰ্শ স্থিতি অৰ্থাৎ অন্তিম অৱস্থাটো সাধাৰণতে সমাজৰ অন্তভহে হয়। জ্যামিতিৰ বিন্দুৰ দৰে তাক সদায় কল্পনাহে কৰা হয়, কিন্তু ধৰা হলে নিদিয়ে।

এই কাৰণেই মই কৈছিলো যে সাম্যবাদীৰ শাসন-হীনতা এটা 'বাদ' অৰ্থাৎ আদৰ্শ ( উটোপিয়া ) হে মাত্ৰ, বাস্তৱত সি শাসনহীনতা নহয়, 'শাসন পূৰ্ণতাহে।' সৰ্ব্বোদয়ে প্ৰথমৰে পৰাই শাসন-নিৰপেক্ষ হৈ জনশক্তিৰ আধাৰত সমাজৰ সংগঠন

আৰু সঞ্চালনৰ প্ৰচেষ্টা চলাব লাগিছে। এই প্ৰচেষ্টা যিমানেই আগবাঢ়ি যাব সিমানেই শাসনহীনতা প্ৰত্যক্ষ তথা বাস্তৱিক ৰূপে স্থাপিত হৈ গৈ থাকিব। এই দৰেই 'সাম্য-বাদ' আৰু 'সাম্য-যোগ' একেটা বস্তু নহৈ ইটোৰ লগত সিটো সম্পূৰ্ণ বিপৰীত হৈ পৰিব।

## দুখীয়াৰ দান কিয় ?

শঙ্কাঃ— কম মাটি থকাসকলে যদি নিজৰ গোটেই মাটি দি দিয়ে তেন্তে নিজে আৰু নিজৰ পৰিয়াল কেনেকৈ পোহপাল যাব ?

সমাধানঃ— যেনেকৈ কোটি কোটি ভূমিহীন মজুৰ পোহ-পাল যায় সেইদৰেই তেৰোঁ পোহ-পাল যাব আৰু যেনেকৈ সকলো ভূমিহীনৰ সমস্যা সমাধান হব, তাৰ লগতে তেওঁৰো সমস্যা সমাধান হব। সেই বুলি তাৰ অৰ্থ এইটো নহয় যে তেওঁৰ অৱস্থাও সাধাৰণ ভূমিহীনৰ নিচিনাই হব।

আনবিলাক ভূমিহীন মজুৰৰ অৱস্থা বাধ্যত পৰিহে তেনেকুৱা হৈছে কিন্তু যি গোটেই মাটি দি ভূমিহীন মজুৰ হৈছে, তেওঁলোকে স্বইচ্ছাৰেই হৈছে। এতেকে তেওঁলোকৰ ভাত আত্ম-সন্তোষ আছে আৰু তেওঁলোক বিপ্লৱৰ একোজন চিপাহী হৈ আন আন ভূমিহীন মজুৰৰ মাজত সোমাই বিপ্লৱৰ প্ৰচাৰ কৰিবগৈ। ৱিনোবাজীয়ে দুখীয়াৰ পৰা যি মাটি লৈছে তাৰ দ্বাৰা তেখেতে নিজৰ বিপ্লৱৰ ফৌজ বৃদ্ধি কৰিছে যাতে

আন্দোলনৰ গতি আৰু তীব্ৰভাৱে চলাব পাৰে। যদি এই বিপ্লৱী শক্তি আজিৰ ভূমিহীন মজুৰৰ মাজত বিয়পিবলৈ নেপায় তেন্তে বেহু'চ্ হোৱাৰ কাৰণে ভূমিহীন মজুৰ নিৰাশাজনক আৰু বিনাশকাৰী জয়ধ্বনি (শ্ল'গান)ৰে প্ৰভাৱিত হৈ প্ৰকৃত বিপ্লৱক বুজিব নোৱাৰাৰ বাবে বিধ্বংসনাৰ কাৰণে উঠি পৰি লাগি যাব আৰু হিংসা-প্ৰতিহিংসাৰ ঘাত-প্ৰতিঘাতত পৃথিৱী জৰ্জ্জৰিত হৈ উঠিব।

## মাটিৰ পাচত আহিলা

শঙ্কাঃ— দণ্ড-নিৰপেক্ষ হৈ যদি আপুনি ভূমিৰ পুনৰ বিভাজন কৰিও দিয়ে তেন্তে যি সকলে মাটি পাব তেওঁলোকে কোন শক্তিৰ আধাৰত সেই সম্পত্তি ৰক্ষা কৰিব ?

সমাধানঃ— অহিংসক বিপ্লৱৰ দ্বাৰা ভূমিৰ সমবিভাজন হ'লে কৃষকসকলৰ অন্তৰলৈ এনেকুৱা শক্তি আহি যাব যে তেওঁলোকে মাটি ৰক্ষা নিজেই কৰিব পাৰিব। এই নিমিত্তেই বিনোবাজীয়ে জন-শক্তি সংগঠনত ইমান জোৰ দিছে। জন-শক্তি সংগঠিত হোৱাৰ পিচত উৎপাদনৰ আহিলা উৎপাদক শ্ৰেণীৰ হাতলৈ আপোনা আপুনি আহি যাব আৰু তাৰ ৰক্ষাও তেওঁলোকে নিজে নিজেই কৰি লব।

## দণ্ডশক্তিৰ সাধনা অনুচিত

শঙ্কাঃ— যদি কৃষকৰ হাতলৈ শক্তি আহে তেন্তে তেওঁলোকে নিজৰ সম্পত্তি নিজে ৰক্ষা কৰিব বুলি বাক্ক মানি ললোঁ। পিচে তেলেঙ্গনাৰ কৃষক সকলে নিজৰ বাহু বলেৰে মাটি অধিকাৰ কৰিও দেখোন তাক ৰক্ষা কৰিব নোৱাৰিলে; চৰকাৰে তেওঁলোকৰ পৰা গোটেই মাটি কিয় ঘূৰাই ললে ?

সমাধানঃ— ইয়াৰ অৰ্থ হৈছে এই যে তেলেঙ্গনাৰ কৃষক শক্তিশালী নাছিল। তেওঁলোকে কমিউনিষ্ট পাৰ্টীৰ বন্দুকৰ জোৰতহে মাটি অধিকাৰ কৰিছিল। পাৰ্টীৰ বন্দুকত কৈ চৰকাৰৰ বন্দুকৰ শক্তি বাঢ়ি যোৱাৰ কাৰণে সেই মাটি বিলাক হাতৰ পৰা গুচি গৈছিল। ফৌজৰ বন্দুকক ভিত্তি কৰি জন শক্তি সংগঠিত নহয়; বৰং সদায় বন্দুকৰ আশ্ৰয়ত থকাৰ কাৰণে সেই শক্তি পঙ্গু হৈ হে যায়। এই নিমিত্তেই তেলেঙ্গনাৰ কৃষক পঙ্গু হৈ পৰিছিল।

## কৰ্ম্মীৰ কাম

শঙ্কাঃ— এফালেদি আপুনি ভূদান যজ্ঞৰ বিপ্লৱ কৰিছে আনফালেদি মাটিৰ গৰাকীয়ে আধিখণ্ডুৱাকৈ খোৱা ভূমিহীন কৃষকৰ পৰা মাটি কাঢ়ি লব লাগিছে। ইয়াৰ দ্বাৰাই দেশত যি অসুস্থ পৰিবেশৰ সৃষ্টি হৈছে এই বিষয়ে আপুনি কিবা চিন্তা কৰিছেনে ?

সমাধানঃ— আৰম্ভণিতে এনেকুৱা হোৱাটো স্বাভাৱিক। কৃষ্ণ জন্মৰ লগে লগেই কংসৰো প্ৰকোপ বাঢ়িছিল। পৃথিৱীত যেতিয়াই কোনো বৈপ্লৱিক প্ৰবৃত্তিৰ জন্ম হয় আৰু যেতিয়া সি প্ৰতিক্ৰিয়াবাদী শক্তিক নষ্ট কৰিব খোজে তেতিয়া তাৰো সাধাৰণতে প্ৰকোপ বাঢ়েই।

ভূমিদানৰ কামৰ পৰা এইটো অভিজ্ঞতা হৈছে যে য'তেই আমাৰ কৰ্ম্মী গৈ ভূমিদান আন্দোলনৰ কাম ব্যাপক ভাৱে কৰিবলৈ লৈছে সেই সেই ঠাইত উচ্ছেদৰ সমস্যা প্ৰায় নাইকিয়াৰ নিচিনাই হৈ পৰিছে; কিয়নো সেই ঠাইৰ মানুহে বৰ্ত্তমান পৰিস্থিতিৰ কিছু জ্ঞান নিশ্চয় পায়। এই কাৰণে এই ব্যাকুলতা দূৰ কৰাৰ একমাত্ৰ উপায় হৈছে এইটোৱেই যে আমাৰ কৰ্ম্মী যিমান বেছিকৈ পাৰে গাৱেঁ গাৱেঁ ব্যাপক্ত হৈ সোমাই পৰক আৰু প্ৰতিক্ৰিয়াবাদী প্ৰবৃত্তিয়ে যাতে গা কৰিবলৈ নেপায় তাৰ ব্যৱস্থা হাতত লওক।

## যজ্ঞৰ আহুতি

শঙ্কাঃ— আপুনি ডাঙৰ ডাঙৰ জমিদাৰ সকলৰ পৰা নিৰ্বিচাৰি অলপীয়া মাটি থকা সকলৰ পৰা কিয় বিচাৰিছে? তেওঁলোক দেখোন আগৰপৰাই দুঃখীয়া?

সমাধানঃ— যজ্ঞত সকলোৱেই আহুতি দিব লাগে। নহলে যজ্ঞ সফল নহয়। আমি ভূমি হীনৰ পৰাও দান বিচাৰো। তেওঁলোকৰ পৰা শ্ৰমদান এই কাৰণেই লোৱা

হয় যাতে তেওঁবিলাকেও আমাৰ বিপ্লৱত যোগ দান দিব পাৰে ।

দ্বিতীয়টো কথা হৈছে এই যে মানসিক পৰিবৰ্ত্তন নোহোৱাকৈ যদি ভৌতিক পৰিবৰ্ত্তন হয়ো তেন্তে সি বেছি দিন টিকিব নোৱাৰিব । মাটি-গিৰীৰ পৰা মাটি এৰুৱাবলৈ চোৱাৰ লগে লগে মাটিৰ পৰা মমতাও এৰুৱাব লাগিব । মাটিৰ প্ৰতি মোহ বা মমতা সৰু-বৰ সকলো মাটি-গিৰীৰেই সমান ৰূপে থাকে । এই কাৰণে দুয়ো পক্ষকে মাটি খোজা হয় । এনে কৰাৰ পৰা দুয়ো পক্ষৰে মোহ বা মমতা বিসৰ্জ্জন কৰাৰ অভ্যাস হব ।

ইতিহাসত সাধাৰণতে এইটো দেখিবলৈ পোৱা যায় যে বিপ্লৱ সফল হয় হয় মানেই প্ৰতি-বিপ্লৱী শক্তি সংগঠিত হৈ তাক অধিকাৰ কৰি পেলায় । ফলত বিপ্লৱ প্ৰতি-গামী হৈ পৰে । যদি মায়া মোহ নেৰুৱাকৈ যেনে তেনে মাটি এৰুৱাই নিয়া হয় তেন্তে সম্পত্তিৰ ওপৰত মমতা পুঞ্জীভূত হৈ আন ক্ষেত্ৰ অৰ্থাৎ অধিকাৰ ক্ষেত্ৰত প্ৰকাশ পাই প্ৰতি-বিপ্লৱৰ শক্তি নিৰ্ম্মাণ কৰিব । শেষত গৈ লোকতন্ত্ৰৰ পৰিবৰ্ত্তে যথেচ্ছাৰ বা স্বৈৰাচাৰৰ সম্ভাৱনা বাঢ়ি যাব ।

## সৰু টুকুৰাৰ খেতি লাভদায়ক

শঙ্কাঃ— ভূমি টুকুৰা-টুকুৰি হোৱাৰ সমস্যা ভাৰতত আগৰে পৰাই আছেই । ভূমিদানৰ পৰা মাটি আৰু টুকুৰা-টুকুৰি

হব। মাটি টুকুৰা-টুকুৰি হোৱাৰ পৰা তাৰ উৎপাদিকা শক্তি ক'মিছে হে বুলি দেখোন কৃষি শাস্ত্রজ্ঞসকলে মত প্রকাশ কৰিছে। আপুনি উৎপাদন বঢ়োৱাৰ কথা কৈছে সি কেনেকৈ হব ?

সমাধানঃ— কৃষি-শাস্ত্র বিষয়ক আপোনাৰ মত পঞ্চাশ বছৰীয়া পুৰণি। কৃষি বিজ্ঞানৰ আধুনিক প্রয়োগে এইটো প্রমাণ কৰি দেখুৱাইছে যে সৰু টুকুৰাত খেতি কৰিলে উৎপাদন নকমে বৰং বাঢ়েহে। ইংলণ্ড, জাপান আৰু চীনে মাটিৰ সৰু সৰু টুকুৰা কৰি উৎপাদনৰ পৰিমাণ অসম্ভৱ ৰূপে বৃদ্ধি কৰিছে। বিনোবাজীয়ে প্রতি পৰিয়ালক পাঁচ একৰ প্রায় ষোল বিঘা কৈ মাটি দিছে। জাপানত তিনি একৰকৈ হে পৰিছে। তেওঁলোকে উৎপাদন বৃদ্ধিত যি সফলতা লাভ কৰিছে তেনেকুৱা আৰু কোনেও কৰিব পৰা নাই। আপুনি চাগৈ জানে যে জাপানত শতকৰা ৮০ ভাগ পথাৰতেই হাল নচলে। কোৰ-কটাৰী ব্যৱহাৰ কৰি হাতেৰেই খেতি কৰে। কৃষি শাস্ত্রৰ কিতাপত লিখা দেখি মানুহৰ এইটো ধাৰণা হৈ উঠিছে যে টুকুৰা-টুকুৰ হ'লে আৰ্থিক ক্ষতি হব; ই মাত্র এটা ভ্রমহে।

আপুনি ইয়াত কৈছে যে মাটি মানুহবিলাকে আগৰে পৰাই টুকুৰা-টুকুৰ কৰি বাঁটি লৈছে, এতিয়া আকৌ ভূমি দানৰ দ্বাৰাই তাৰ আৰু বেছি টুকুৰা হৈ পৰিব। এনেদৰে ভবাই ভুল। আমাক যি মাটি দিয়ে তেওঁ টুকুৰা-টুকুৰকৈ

নিদিয়ে পূৰাকৈ হে দিয়ে। কোনো এডোখৰ মাটিৰ আধা নিদিয়ে। যেতিয়া কোনো এখন গাৱঁত মানুহে মাটি দিব খোজে তেতিয়া সকলোৱেই একেডোখৰ ঠাইতে থকা নিজৰ নিজৰ টুকুৰাবিলাক হে দিয়ে। এই দৰেই বহুতো টুকুৰা একেলগো হৈ পৰিছে।

## শাসনহীন নহয়, শাসন নিৰপেক্ষ

শঙ্কাঃ— আপোনাৰ আদর্শ দণ্ডহীন সমজ প্রতিষ্ঠা কৰাটো। ইফালেদি আপুনিয়েই কৈছে যে আদর্শ-স্থিতি জ্যামিতিৰ বিন্দুৰ নিচিনা। ইয়াৰ মানে সর্ব্বোদয় সমাজতো ক’ৰবাত নহয় ক’ৰবাত শাসনৰ স্থান আছে। এতেকে সমাজত তাৰ কেনে স্থান হোৱা উচিত ?

সমাধানঃ— এইটো ঠিক যে দণ্ডহীন সমাজ আদর্শ-স্থিতি। এই কাৰণে মই সাধাৰণতে "দণ্ডনিৰপেক্ষ" শব্দকেই ব্যৱহাৰ কৰোঁ। ইয়াৰ মানে হৈছে এই যে দণ্ডৰ অস্তিত্ব থকা স্বত্বেও সমাজৰ সাধাৰণ তথা দৈনিক সঞ্চালন আৰু সংগঠন দণ্ড শক্তিৰ বাহিৰৰ জন-শক্তিৰ দ্বাৰাই হে হব পাৰিব। সর্ব্বোদয় সমাজত স্বাৱলম্বী গাৱঁৰ একোটা গোট পূর্ণ বিকশিত হব। শাসনৰ অস্তিত্ব কেৱল মাত্র গাওঁবাসীক একেডাল সূত্রেৰে বান্ধিবৰ কাৰণে হে থাকিব। এনে কৰাৰ পৰা সমাজ ছিন্ন-ভিন্ন হবলৈ নেপাব। ভালকৈ ফুলা, ফুলৰ মালা গাঁথিবৰ কাৰণে সূতাৰ আৱশ্যক হয়, কিন্তু ভাল মালাত

প্ৰস্ফুটিত ফুলকেই হে দেখা যায়। তাত সূতাডাল অদৃশ্য হৈ থাকে। যেতিয়া সূতাডাল দেখা যাব তেতিয়া বুজিব লাগিব যে মালা ধাৰ শুকাব ধৰিছে। সেই দৰেই পূৰ্ণ বিকশিত স্বাৱলম্বী গাৱঁৰ গোটবোৰক এক ৰাষ্ট্ৰ তথা সমাজ সূত্ৰত বান্ধিবৰ কাৰণে শাসনৰ আৱশ্যকতা আছে। কিন্তু সৰ্ব্বোদয় সমাজত শাসনৰ অস্তিত্ব থকা সত্বেও তাৰ অনুভৱ সাধৰণতে মানুহৰ মাজত নেথাকিব; আৰু যদি কেনেবাকৈ থাকেও তেন্তে বুজিব লাগিব যে সমাজ লাহে লাহে ক্ষয় হবলৈহে ধৰিছে।

## *জমিদাৰ—শিকলিডাল ধাতুৰ নে কি ?*

শঙ্কাঃ— ডাঙৰ ডাঙৰ জমিদাৰসকলে ৰেজিষ্টাৰ্ড খেতিৰ ৰূপত এনেভাবে সংঘবদ্ধ হৈ লাগিছে যে তাক এডাল ধাতু নিৰ্ম্মিত শিকলিৰ লগত তুলনা কৰিব পাৰি। এই শিকলি ডাল এলা-পেচাকৈ গলা বিধৰ নহয়। এনেস্থলত মাটি পাম বুলি ভবাটো এটা কল্পনাহে মাত্ৰ।

সমাধানঃ— ডাঙৰ ডাঙৰ জমিদাৰসকলৰ সংগঠনৰ শিকলি ডাল এনেকুৱা ধাতুৰে নিৰ্ম্মিত যে সি সহজে গলাটো টান— এই কথাষাৰ গান্ধী বিচাৰ ধাৰা বুজা মানুহৰ মুখত শুনিবলৈ পাই আমি আচৰিত নহৈ নোৱাৰিলোঁ। গান্ধীজীৰ কায়াৰ ছাঁয়া ৰূপে ইমান দিন থকাৰ পিচতো প্ৰেমৰূপী জুইৰ দ্বাৰা যিমান কঠিন ধাতুৱেই নহওক সি গলিব নোৱৰা বুলি ভবাটো

বাপুৰ মূল দৰ্শনৰ কথা পাহৰি যোৱাৰ বাহিৰে আন একো হব নোৱাৰে। আমি ডাঙৰ ডাঙৰ জমিদাৰ আৰু ফাৰ্ম্মৰ গৰাকীসকলৰ পৰাও ভাল ভাল বহুতো মাটি পাইছোঁ আৰু প্ৰত্যেক জন কৰ্ম্মীৰে পূৰা বিশ্বাস যে তেওঁলোকৰ পৰা আৰু মাটি পোৱা যাব।

শঙ্কাঃ—বেছিভাগ মাটিয়েই নিম্ন শ্ৰেণীৰ। তাক বাঁটি পেলালে ভূমিহানৰ ভাগত কেৱল নিম্ন শ্ৰেণীৰ মাটি বিলাকহে পৰিব। আনহাতেদি জমিদাৰসকল ভাল মাটিৰ গৰাকী হৈয়েই থাকিব।

সমাধানঃ—যি সকলে ভয় কৰিছে যে ভূদান যজ্ঞ আন্দোলনৰ দ্বাৰা নিম্ন শ্ৰেণীৰ মাটিবিলাক ভূমিহীনৰ হাতলৈ যাব আৰু উচ্চ শ্ৰেণীৰ ভাল ভাল মাটিবিলাক আজি যাৰ হাতত আছে তেওঁলোকৰ হাততে চিৰকাললৈকে থাকি যাব। তেওঁ এইটো বুজা উচিত যে আইন তৈয়াৰ কৰিও এই পৰিস্থিতিৰ সালসলনি কৰিব পৰা নেযায়। আইনত চিলিং বন্ধা হব। পাঁচ বছৰীয় পৰিকল্পনাই ৩০ একৰ, আৰু সমাজবাদী দলে ১৫ একৰৰ সীমা বান্ধিছে। চৰকাৰে যদি ইয়াতকৈয়ো আগবাঢ়ি গৈ চিলিং বান্ধে তেতিয়াও আজি যাৰ হাতত মাটি আছে তেওঁলোকে আইনৰ সীমাৰ ভিতৰত থাকিয়েই ভাল ভাল মাটি বাচি লব পাৰে। বিনোবাজীয়েও আজি যিমান মাটি পাইছে তাত তেখেত সন্তুষ্ট হব পৰা নাই। তেখেতে চিলিঙৰ কথা এৰি দি ফ্লোৰিঙৰ কথাত ধৰিছে।

অৰ্থাৎ নিজে চলিবৰ কাৰণে প্ৰয়োজনীয় মাটি ৰাখি বাকী গোটেইখিনি দি দিবলৈ কৈছে। অৱশ্যে ইয়াতো মানুহে ভাল মাটি ৰাখি বাকী মাটি দি দিব। আমাৰ বিশ্বাস আইন তৈয়াৰ কৰিলে যিমান ভাল মাটি পোৱা যাব তাতকৈ অনেক গুণে বেছি ভাল মাটি ভূমি দানৰ জৰিয়তে পাব লাগিছোঁ।

## *গ্ৰামীকৰণ আৰু ব্যক্তিবাদ*

**শঙ্কাঃ—** আপোনালোকে মাটিৰ গ্ৰামীকৰণৰ কথা কৈছে। মানুহৰ প্ৰবৃত্তি হৈছে ব্যক্তিবাদী। তেওঁ স্বাৰ্থপৰ হয়। তেনেস্থলত গ্ৰামীকৰণ কেনেকৈ চলিব ?

**সমাধানঃ—** এইটো ঠিক যে মানুহৰ স্বাৰ্থ আৰু ব্যক্তিবাদী প্ৰবৃত্তি ও থাকে। কিন্তু তাৰ লগতে সমাজবাদী প্ৰবৃত্তি ও থাকে। ইফালেদি সমাজবাদী বৃত্তি ও সামূহিক স্বাৰ্থৰ কাৰণেই হয়। কাৰণ মানুহে ভাবে যে সামূহিক স্বাৰ্থ ৰক্ষা নকৰিলে ব্যক্তিগত স্বাৰ্থ ও ৰক্ষা নপৰে। আকৌ সামাজিকতা মানুহৰ স্বাভাৱিক প্ৰবৃত্তিও। অকল মানুহেই নহয় অন্যান্য ইতৰ প্ৰাণীয়েও জাকপাতিহে থাকিবলৈ ভাল পায়। ইয়াৰ পৰাই এইটো পৰিষ্কাৰ হৈ ওলাই পৰিছে যে মানুহৰ য'ত ব্যক্তিবাদ আছে তাত সমাজবাদো তেওঁৰ স্বধৰ্ম্মই হব। যদি আপোনালোকে সমাজবাদৰ বিকাশ হোৱাটো কামনা কৰে, তেন্তে আৰ্থিক তথা ৰাজনৈতিক বান্ধোনো এনেকুৱা কৰি

ৰাখিব লাগিব যাৰ দ্বাৰাই ব্যক্তিবাদে জীৱিকা নেপায় অথচ সমাজবাদে পৰিপূৰ্ণ ৰূপে পায়।

মানুহৰ গাত সমাজবাদী আৰু ব্যক্তিবাদী বৃত্তি সমতোল ভাবে থাকে। কেন্দ্ৰবাদী ৰাজনৈতিক তথা আৰ্থিক ব্যৱস্থাৰ কাৰণে আজি ব্যক্তিবাদৰ প্ৰকোপ চৰিছে। এতেকে আপোনা-লোকে এই ব্যৱস্থাক পৰিবৰ্ত্তন কৰি, ব্যক্তিবাদক বলিদান দি সমাজবাদক বিকাশ কৰিব লাগিব।

অৰ্থনৈতিক পৰিবৰ্ত্তন হোৱাবাবে মানুহৰ বৃত্তি কেনে ভাবে হেৰফেৰ হয় তাকো বুজি লোৱাটো উচিত হব। যদি বিকেন্দ্ৰিত আৰু আৰু স্বাৱলম্বী অৰ্থনীতি চলে তেন্তে যিহেতু প্ৰত্যেক মানুহে নিজৰ সকলো আৱশ্যকতা পূৰণ কৰিবৰ কাৰণে অকলৈ উৎপাদন কৰিব নোৱাৰে সেই কাৰণে তেওঁৰ স্বাৰ্থই নিজৰ ওচৰ চুবুৰীয়াৰ লগত সম্বন্ধ ঘটাবলৈ বাধ্য কৰিব। এই কাৰণে স্বাভাৱিকতে তেওঁৰ মনত সহযোগী ভাবনাৰ বিকাশ হৈ যাবলৈ ধৰিব। সহযোগ বা সমবায় সমাজবাদৰ মূলতত্ত্ব। কেন্দ্ৰিত অৰ্থ-নীতিত গাৱঁৰ প্ৰত্যেক ব্যক্তিয়েই জীয়াই থাকিবৰ কাৰণে লগা সামগ্ৰী বেলেগ বেলেগ কেন্দ্ৰৰ পৰা পাব লাগিব। ইয়াৰ দ্বাৰাই প্ৰত্যেক ব্যক্তিৰ বৃত্তি ওচৰ চুবুৰীয়াতকৈ বেছি সুবিধা লাভ কৰিবলৈ বিচৰা বিধৰ হব। ইয়াৰ পৰাই প্ৰতিদন্দ্বিতাৰ বিকাশ হব। প্ৰতিদন্দ্বিতা ব্যক্তিবাদৰ মূল তত্ত্ব। আজি আপোনালোকে যি ব্যক্তিবাদৰ প্ৰকোপ দেখিছে সি স্বাভাৱিক স্থিতি নহয়।

শাসন আৰু পুঁজিৰ উৎকট সংগঠনৰ কাৰণে এই অৱস্থাৰ সৃষ্টি হৈছে শাসন নিৰপেক্ষ সমাজ তথা পুঁজি নিৰপক্ষ মনুষ্য জীৱনৰ সংগঠন হলে ব্যক্তিবাদৰ পৰিবৰ্ত্তে সমাজবাদৰ বিকাশ দেখা যাব।

## আইনৰ দ্বাৰাই ভূমি বিতৰণ

শঙ্কাঃ— এইদৰে দুৱাৰে দুৱাৰে ঘূৰি মাটি বিচৰাতকৈ চৰকাৰৰ হতুৱাই আইন কৰাই মাটি বিতৰণ নকৰে কিয়? তাৰ ওপৰত আপোনালোকে জোৰ কিয় নিদিয়ে?

সমাধানঃ— এই প্ৰশ্নটো দুটা দৃষ্টিকোণৰ ফালৰ পৰা চিন্তা কৰি চাব লাগে। এটা তাৎকালিক দৃষ্টিকোণ আৰু আনটো স্থায়ী দৃষ্টিকোণ। তাৎকালিক দৃষ্টিকোণ হৈছে এইটোৱেই যে ভাৰতৰ আজিৰ পৰিস্থিতিত আইনৰ দ্বাৰাই ভূমিহীন মজুৰক মাটি দিব পৰা নেযায়। আপোনালোকে বাৰু আইনত কি কথাটো সুমাই দিব খুজিছে যাৰ দ্বাৰাই মাটিহীনে মাটি পাব পাৰে? আইনে অতি বেছি কিমান মাটি ৰাখিব পাৰি তাৰ হে সীমা নিৰ্দ্ধাৰণ কৰিব। তাৰ কাৰণে অতি কমেও কুৰি একৰ লৈকে হয়তো যাব। গাঁৱত অতি কম মাটি থকা গৰাকীয়েহে নিজে খেতি-খোলা কৰে। বাকীসকলে আধি খণ্ডুৱাকৈ দিয়ে। যিসকলে নিজে খেতি কৰে তেওঁলোকৰ ভিতৰতো কুৰি একৰতকৈ বেছি মাটিত খেতি কৰিব পৰা লোকৰ সংখ্যা অতি কম। যদি দুই

এজন থাকেও তেন্তে 'চিলিঙ'ৰ বিষয়ে আলোচনা হোৱাৰ লগে লগেই তেওঁলোকে ইষ্ট-মিত্ৰ বন্ধু-বৰ্গ আদিৰ লগত আলোচনা কৰি এনেকুৱা এটা অৱস্থাৰ সৃষ্টি কৰি থয়, যাৰ দ্বাৰাই 'চিলিং' সম্পৰ্কীয় আইনে তাক ঢুকিকে পাব নোৱাৰে। এই নিচিনাকৈয়ে আপোনালোকে দেখিবলৈ পাব যে মাটিহীন মজুৰক দিবৰ কাৰণে যিমান মাটিৰ আৱশ্যক হব সিমান মাটি আইনৰ দ্বাৰাই পাব পৰা নেযাব।

যিসকলে আজি মাটি অধি-খণ্ডুৱাকৈ খাই আছে, তেওঁলোকেই হয়তো আইনে মাটিৰ গৰাকী কৰি দিব পাৰিব তাতকৈ বেছি নোৱাৰে। আজি তেওঁলোকে আমাক ভূদান যজ্ঞত মাটি দিব নোৱাৰে। মাটিৰ গৰাকী হলেহে তেওঁলোকে ভূদান যজ্ঞত অংশ গ্ৰহণ কৰিব পাৰিব। আইনৰ দ্বাৰাই যদি আপোনালোকে মাটিহীন মজুৰক মাটি দিব খুজিছে তেন্তে আপোনালোকে সমুদায় মাটি অধিগ্ৰহণ কৰি পুনৰ বিতৰণ কৰিব লাগিব। এই কাম ৰুচিয়াৰ ৰঙা সেনা ফৌজৰ ডিক্টেটৰ চিপৰ দ্বাৰাই লেলিনেও কৰিব নোৱাৰিছিল। লাখ লাখ মানুহ বন্দুকৰ গুলীৰ আগত যোৱাৰ পিচতো কৃষকক মাটি ওলোটাই দিব লগা হৈছিল। কোনো গণতান্ত্ৰিক চৰকাৰেই এই কাম কৰিব নোৱাৰে।

ভূদান যজ্ঞৰ মূল উদ্দেশ্য অকল ভূমি বিতৰণেই নহয়। ভূমি বিতৰণ আন্দোলনৰ প্ৰথম কাম। এই যজ্ঞৰ উদ্দেশ্য হৈছে ৰাজনৈতিক তথা আৰ্থিক বিপ্লৱ। আন্দোলনৰ দ্বাৰাই

শাসনমুক্ত সমাজ প্ৰতিষ্ঠা কৰাটো আমাৰ ধ্যেয়। সমাজত শাসনৰ আৱশ্যকতা যেতিয়া নোহোৱা হব তেতিয়াহে শাসন-মুক্ত সমাজ গঠন হব পাৰিব। ভূমি সমস্যা সমাধান কৰিবলৈ যি শাসন-শক্তিক অনিবাৰ্য্য বুলি ভাবে তেওঁলোকে শাসন-মুক্ত সমাজৰ কাৰণে সামাজিক বিপ্লৱ কৰাৰ কথাটো ভাবিবই নোৱাৰে।

কেৱল পৰিস্থিতিৰ সাল-সলনি ঘটালেই বিপ্লৱ নহয়। ইয়াৰ কাৰণে মান্যতা অৰ্থাৎ ধাৰণা পৰিবৰ্ত্তনৰ আৱশ্যক। ভূদান যজ্ঞই মাটিৰ ওপৰৰ পৰা মানুহৰ ব্যক্তিগত স্বামিত্ব বিসৰ্জ্জন কৰিবলৈ বিচাৰিছে এই বিসৰ্জ্জন যদি বল প্ৰয়োগৰ দ্বাৰাই কৰোৱা হয় তেন্তে ভূ-স্বামীৰ হাতৰ পৰা মাটি গুচি যাব কিন্তু তেওঁলোকৰ অন্তৰত স্বামিত্ব বিসৰ্জ্জনৰ মনোভাৱ সৃষ্টি নহব। বিচাৰ পৰিবৰ্ত্তনৰ দ্বাৰাই মান্যতা বা ধাৰণা পৰিবৰ্ত্তন নকৰি বল প্ৰয়োগৰ দ্বাৰাই মাটি কাঢ়ি ললে মানুহৰ অন্তৰত থকা পুৰণি মান্যতা (ধাৰণা) নিদলিত হৈ প্ৰতি-ক্ৰিয়াৰ ৰূপত প্ৰতি-বিপ্লৱৰ বীজ সৃষ্টি হৈ উঠিব। ফল স্বৰূপে পৰিবৰ্ত্তিত পৰিস্থিতিক অনন্ত কাললৈকে দমন নীতিৰে প্ৰতিষ্ঠিত কৰি ৰাখিব লাগিব। তাৰ পিচত আৰু বিপ্লৱ কেতিয়া প্ৰতিষ্ঠিত হৈ উঠিব? এই কাৰণে বিপ্লৱক সম্পূৰ্ণ ৰূপে কাৰ্য্যকৰী ৰূপ দিবলৈ হলে বিপ্লৱৰ প্ৰক্ৰিয়াত মান্যতা পৰিবৰ্ত্তনৰ প্ৰক্ৰিয়াই হোৱা নিতান্ত প্ৰয়োজন। আইনৰ দ্বাৰাই এইটো কৰিব পৰাটো সম্ভৱপৰ নহয়।

—অন্ত—